সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩১ বছৰ, ০৪ সংখ্যা, ১১ মাঘ , ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 04 Date of Publication- 25 January 2026 Rs. 10.00/-

## ৰাইজে বিচাৰিলে ১০৬ টা সমষ্টিত বিজেপি মিত্ৰজোঁটে জয়লাভ কৰিবঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অগপৰ সৈতে মিত্ৰতাৰ আলোচনা চলি আছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া আৰু মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই আঞ্চলিক দলটোৰ সৈতে কথা পাতি আছে বুলি ঘোষণা কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অগপ-বিজেপিৰ আসন বুজাবুজি সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয়- পূৰ্বে যিধৰণে আসন বুজাবুজি হৈছিল, সেই ধৰণেই আসন থাকিব। এখন-দুখন আসনৰ সাল-সলনি হ'ব পাৰে। ক'ৰবাত আমাৰ ছিটত তেওঁলোকে উঠিব পাৰে, তেওঁলোকৰ ছিটত আমি উঠিব পাৰোঁ। আসনৰ অদল-বদল হ'ব, সংখ্যা প্ৰায় ঠিকেই

( নপৃষ্ঠাত চাওক)

## আগন্তুক সময়ত দাইল-চেনি-নিমখৰ লগতে মিঠাতেলো পাবঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ নাৰী সমাজৰ আৰ্থিক সবলীকৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শনিবাৰে বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ ৩০, ৮০৬গৰাকী উদ্যমী মহিলালৈ ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে।

( দুই পৃষ্ঠাত চাওক)

## কোনো হিন্দু পৰিয়াল-খিলঞ্জীয়া মুছলমানৰ বাসগৃহলৈ জাননী যোৱা নাইঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যত চলি থকা ভোটাৰ তালিকাৰ পুনৰীক্ষণ (এছআৰ) প্ৰক্ৰিয়াত বহু লোকলৈ জাননী প্ৰেৰণ কৰাক লৈ বিৰোধীয়ে কৰি অহা অভিযোগক উভতি ধৰিলে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- এছ আৰত কোনো বিতৰ্ক নাই। কোনজন হিন্দু মানুহৰ ঘৰলৈ, কোনজন খিলঞ্জীয়া মুছলমানৰ ঘৰলৈ জাননী আহিছে? মিএগক অলপ উৎপাত কৰিব লাগিবই, নহ'লে মুৰৰ ওপৰত উঠিব । মই আগতে কৈছোঁ- পাৰোঁ-নোৱাৰোঁ মিএগক দিগদাৰী কৰি থাকিম। ইয়াক লুক-ঢাক কৰিবলৈ একো নাই, মিএগক দিগদাৰী কৰিয়েই আছোঁ। মিএগক পাৰোঁ-নোৱাৰোঁ পিছৰ কথা, কিন্তু দিগদাৰী কৰি থাকিম। বিজেপি থকালৈকে মিএগৰ বিৰুদ্ধে উৎপাত চলিবই। মিএগই বুজি পাব লাগিব যে অসমীয়াই ক'ৰবাত নহয় ক'ৰবাত তেওঁলোকক



( তিনিপৃষ্ঠাত চাওক)

## প্ৰশ্নকাকত-উত্তৰবহী ৰখা স্থানত ২৪ ঘণ্টাই থাকিব চিচি টিভি কেমেৰাঃমুখ্যমন্ত্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিচালনা কৰা চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ খানাপাৰাস্থিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজন কৰা পৰীক্ষা



(দহ পৃষ্ঠাত চাওক)

## গেৰুৱা বসন পৰিধান কৰিলে শংকৰ-জ্যোতি বৰুৱা আৰু মনোজ কুমাৰ মহন্তই




ৰঙিলী বাৰ্ত্তাসেৱা- বহু জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত গেৰুৱা বসন পিন্ধিলে আছুৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই। বিতৰ্কিত কৰ্মকাণ্ডৰ বাবে আছুৰ মঞ্চ এৰিবলগা হোৱা ছাত্ৰ সংগঠনটোৰ প্ৰাক্তন সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই বহু সতীৰ্থক লগত লৈ বশিষ্ঠৰ বাজপেয়ী ভৱনত আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, অসমৰ কেবিনেট মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত বৰুৱাই

( দুই পৃষ্ঠাত চাওক)

## প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ জুবিন পত্নী গৰিমা গাৰ্গৰ

ৰঙিলী বাৰ্ত্তাসেৱা- অসমীয়াৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ন্যায় বিচাৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক- পত্ৰ প্ৰেৰণ কৰিছে শিল্পী পত্নী গৰিমা শইকীয়া গাৰ্গে। জুবিন গাৰ্গ হত্যা গোচৰৰ দ্ৰুত বিচাৰ প্ৰক্ৰিয়াৰ বাবে বিশেষ আদালত গঠন-অভিযুক্তক জামিন নিদিয়া-যথাসম্ভৱ কঠোৰতম শাস্তি বিহাটো নিশ্চিত কৰাকে ধৰি একাধিক অনুৰোধ জনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক-পত্ৰখন প্ৰেৰণ কৰিছে গৰিমা গাৰ্গে। য'ত জুবিন গাৰ্গৰ খুৰাক মনোজ কুমাৰ বৰঠাকুৰ আৰু ভগ্নী পামী বৰঠাকুৰেও স্বাক্ষৰ কৰিছে।

(দহ পৃষ্ঠাত চাওক)

# পাকিস্তানত আত্মঘাতী আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- পাকিস্তানত পুনৰ এক ভয়াবহ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। পাকিস্তানৰ উত্তৰ-পশ্চিম সীমান্তৱৰ্তী এলেকাৰ খাইবাৰ পাখতুনখোৱা প্ৰদেশত চলি থকা এখন বিয়াৰ অনুষ্ঠানৰ মাজতেই আত্মঘাতী আক্ৰমণৰ ঘটনাটো সংঘটিত হয়। আত্মঘাতী আক্ৰমণটোত কমেও ৭জন লোকে প্ৰাণ হেৰুৱায় লগতে ২৫জন লোক আহত হয়। বিস্ফোৰণত আহত কেইবাজনো লোকৰ স্বাস্থ্যৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। এই আক্ৰমণৰ মূল লক্ষ্য আছিল স্থানীয় শান্তি সমিতিৰ অধ্যক্ষ নুৰ আলম মেহছুদ। দেৰা ইছমাইল খান জিলাত থকা মেহছুদৰ নিজ বাসগৃহত বিবাহৰ ভোজ চলি থকাৰ সময়তে এই আত্মঘাতী বিস্ফোৰণ সংঘটিত হয়। বিস্ফোৰণটো ইমানেই শক্তিশালী আছিল যে ঘৰটোৰ এটা অংশৰ ছাদ সম্পূৰ্ণৰূপে খহি পৰে। যাৰ ফলত উদ্ধাৰ অভিযানত যথেষ্ট বাধাৰ সৃষ্টি হয় আৰু বহু লোক ধ্বংসস্তূপৰ তলত আৱদ্ধ হৈ পৰে। আৰক্ষীয়ে জনোৱা মতে নিহত আৰু আহতসকলক ততাতৈয়াকৈ ওচৰৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

# আজি বৰ্ষাপাৰাত ভাৰত নিউজিলেণ্ডৰ তৃতীয় টি-২০



ৰঙিলী বাৰ্ত্তাসেৱা- আজি গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব ভাৰত আৰু নিউজীলেণ্ডৰ মাজত শৃংখলাৰ তৃতীয়খন টি-২০ মেচ। তৃতীয়খন টি-২০ মেচৰ বাবে সম্পূৰ্ণৰূপে সাজু হৈ উঠিছে বৰ্ষাপাৰাৰ এচিএ ক্ৰিকেট ষ্টেডিয়াম। সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'বলগীয়া এই হাইভল্টেজ মেচখনক লৈ ক্ৰিকেট অনুৰাগীৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাৰ সৃষ্টি হৈছে। ইতিমধ্যে ৫ খনীয়া শৃংখলাৰ ২ খনত জয়ী হৈ ভাৰতে অগ্ৰগতি লাভ কৰি আছে। যাৰ বাবে গুৱাহাটীৰ বৰ্ষাপাৰাত অনুষ্ঠিত হ'বলগীয়া টি-২০ত জয়ী হৈ শৃংখলাটো ভাৰতে নিজৰ হাতলৈ আনিবলৈ চেষ্টা কৰিব। ইফালে শনিবাৰে বিয়লি টীম ইণ্ডিয়াৰ লগতে নিউজিলেণ্ড দলটো একেলগে লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত গুৱাহাটীত উপস্থিত হয়। দুয়োটা দল বিমানবন্দৰত উপস্থিত হোৱাৰ লগে লগে পছন্দৰ খেলুৱৈগৰাকীক এবাৰ চোৱাৰ হেঁপাহেৰে দিনৰে পৰা বিমানবন্দৰত ভিৰ কৰে ক্ৰিকেট অনুৰাগীসকলে। দুয়োটা দল বিশেষকৈ ভাৰতীয় দলৰ খেলুৱৈসকল বিমানবন্দৰৰ পৰা ওলাই অহাৰ লগে লগে অনুৰাগীসকলে আনন্দতে চিঞৰিবলৈ আৰম্ভ কৰে। ( তিনিপৃষ্ঠাত চাওক)

# গেৰুৱা বসন পৰিধান

দলত যোগদান কৰে। দলৰ জ্যেষ্ঠ নেতাসকলে তেওঁক বিজেপিলৈ আদৰণি জনাই এয়া দলৰ সাংগঠনিক শক্তিৰ এক গুৰুত্বপূৰ্ণ সংযোজন বুলি অভিহিত কৰে। শংকৰজ্যোতি বৰুৱাৰ লগতে বিজেপিত যোগদান কৰে আছুৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যবাহী সদস্য কনক গগৈ, অৰ্জুন চেত্ৰী, ৰাজীৱ গগৈ আৰু ৰক্তিম বৰা, জিলা সমিতিৰ প্ৰাক্তন সভাপতি সত্য বৰগোহাই আৰু প্ৰাণজিৎ হাজৰিকা আৰু ডিব্ৰুগড় জিলাৰ আছুৰ প্ৰাক্তন উপ সভাপতি দীপজ্যোতি দিহিংগীয়াকে ধৰি কেইবাজনো নেতাই। শাসকীয় দলটোত যোগদান কৰি আছুৰ প্ৰাক্তন ছাত্ৰনেতাজনৰ মন্তব্য- ছাত্ৰ সন্থাত দীঘলীয়া সময় অতিবাহিত কৰিছো। বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে জীৱনটো অতিবাহিত কৰি ৰাইজৰ হকে কাম কৰিবৰ বাবে হেঁপাহ পুহি ৰাখিছো। বিজেপিৰ এই মঞ্চখনৰ যোগেদি ৰাইজৰ সেৱক হিচাপে কাম কাজ কৰি যোৱাৰ বাবে সকলোৰে পৰা আশীৰ্বাদ বিচাৰিছো। বৰ্তমান সময়ত বিজেপিয়ে সৰ্বত্ৰ উন্নয়নৰ ধাৰা অব্যাহত ৰাখিছে। ড° হিমন্ত বিশ্ব শৰ্মাৰ উন্নয়নৰ যাত্ৰাৰ অংশীদাৰ হ'বলৈ বিজেপিলৈ আহিছোঁ। যোগদান উপলক্ষে বাজপেয়ী ভৱনত অনুষ্ঠিত এক অনুষ্ঠানত সভাপতি দিলীপ শইকীয়াই শংকৰজ্যোতি বৰুৱা আৰু আন প্ৰাক্তন ছাত্ৰনেতাসকলক দলীয় বস্ত্ৰৰে দললৈ সম্বৰ্ধনা জনায়। অনুষ্ঠানত ভাষণ দি সভাপতি দিলীপ শইকীয়াই কয় যে ১৪.৫০ কোটি প্ৰাথমিক সদস্য আৰু ১২ লাখ সক্ৰিয় সদস্যৰে ভাৰতীয় জনতা পাৰ্টীয়ে আজি সমগ্ৰ বিশ্বতে এক সুকীয়া স্থান দখল কৰিছে। ৰাষ্ট্ৰীয়তাবাদী চেতনাৰে জাগ্ৰত বিজেপিৰ লক্ষ লক্ষ সদস্যই আজি কাম কৰি আহিছে। দলীয় যোগদান কাৰ্যসূচীত উপস্থিত থাকি শইকীয়াই কয় যে সমগ্ৰ দেশৰ ৭১ শতাংশ ভৌগোলিক এলেকাত পৰিৱেষ্টিত বিজেপি আজি সমগ্ৰ ভাৰতৰ এক বৃহৎ ৰাজনৈতিক দল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত আমাৰ দেশে আজি সমগ্ৰ বিশ্বত যি এক সুকীয়া স্থান দখল কৰিছে তাৰবাবে আমি গৌৰৱান্বিত। তেনেদৰে অসমতো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম বিকশিত ৰাজ্য হিচাপে সমগ্ৰ দেশত পৰিচিত হৈছে। বিজেপিত যোগদান কৰাসকলৰ ভিতৰত প্ৰাগজ্যোতিষ কলেজৰ প্ৰাক্তন অধ্যক্ষ মনোজ কুমাৰ মহন্ত আছে। ৰাজ্যিক সাধাৰণ সম্পাদক অনুপ বৰ্মনে আঁত ধৰা যোগদান কাৰ্যসূচীত বিজেপিৰ ৰাজ্যিক প্ৰভাৰী হৰিশ দ্বিবেদী, সাংগঠনিক সাধাৰণ সম্পাদক ৰবীন্দ্ৰ ৰাজু, কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে। আনহাতে শাসকীয় দলটোত যোগদান কৰাৰ প্ৰাকমুহূৰ্তত শংকৰজ্যোতি বৰুৱা আৰু আন সতীৰ্থলৈ স্পষ্ট বাৰ্তা প্ৰেৰণ কৰে মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মাই। সংবাদ মাধ্যমৰ আগত এই প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই স্পষ্ট বাৰ্তা প্ৰেৰণ কৰি কয়-আছুৰ কেইবাজনো প্ৰাক্তন নেতাই বিজেপিত যোগদান কৰিছে। কিন্তু মই সকলোকে কৈছোঁ যে শেষ সময়ত যোগদান কৰিছে, টিকটৰ আশা কৰিব নালাগে। যোগদান কৰক, আদৰণি জনাইছোঁ। দলৰ মঞ্চত কামো কৰিব, কিন্তু আজি জৈন কৰি কাইলৈ দলৰ টিকট সেয়া অলপ দিগদাৰী হ'ব। সেই কাৰণে মই শংকৰজ্যোতি বৰুৱা আৰু লগত অহা সকলোকে কৈছোঁ- আপোনালোকে দলৰ বাবে কাম কৰক, দলে স্বাগতম জনাইছে কিন্তু এইবাৰ দলৰ টিকট আশা নকৰিব।

# আগন্তুক সময়ত দাইল-চেনি-নিমখৰ

ইয়াকে ধৰি আঁচনিখনৰ জৰিয়তে এতিয়ালৈ ৰাজ্যৰ ৯১টা বিধানসভা সমষ্টিৰ ২২, ২৮, ২২৮ গৰাকী মহিলাৰ মাজত উদ্যমিতা পুঁজি বিতৰণ কৰা হ'ল। শনিবাৰে বৰক্ষেত্ৰী সমষ্টিত সৰ্বমুঠ ৩০ কোটি ৯০ লাখ ৬৫ হাজাৰ টকা উদ্যমী মহিলাসকলক প্ৰদান কৰা হয়। এই উপলক্ষে জাগাৰা-নপ্তিপাৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত নপ্তিপাৰাৰ সুধাংশু গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমীপত এখন বিশাল জনসভা আয়োজিত কৰা হয়। এই জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উদ্যমিতা অভিযানৰ বাবে নিৰ্বাচিত বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ প্ৰতিগৰাকী মহিলাক লাখপতি বাইদেউ হিচাপে নিজকে উত্তৰণ ঘটাবলৈ যত্নপৰ হ'বলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নিৰ্বাচিত মহিলাসকলৰ মাজত আজি প্ৰথম পৰ্যায়ত ১০ হাজাৰ টকাকৈ উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰা হৈছে যদিও এয়া তেওঁলোকৰ লাখপতি বাইদেউ হিচাপে পৰিচিত হ'বলৈ কৰা যাত্ৰাৰ আৰম্ভণিহে। প্ৰচেষ্টা আৰু পৰিশ্ৰমৰ জৰিয়তে আগন্তুক এক-দুই বছৰৰ ভিতৰত তেওঁলোকে নিজ লক্ষ্যত উপনীত হ'ব পাৰিব। ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ আত্মসহায়ক গোটৰ ৪০ লাখ মহিলাৰ ৮ লাখে ইতিমধ্যে লাখপতি বাইদেউৰ শাৰীলৈ উন্নীত হোৱা বুলি উল্লেখ কৰি কয় যে ৰাজ্যৰ মহিলা সমাজ ইতিবাচক কাম-কাজত জড়িত হ'বলৈ সদায় ইচ্ছুক। কিন্তু আৰ্থিক সমস্যাৰ বাবে আগ্ৰহ থাকিলেও তেওঁলোকে ব্যৱসায়-বাণিজ্যৰ সৈতে বিৰত থাকিবলগীয়া হয়। ইয়াৰ পৰিপ্ৰেক্ষিততে ৰাজ্য চৰকাৰে মহিলা সমাজলৈ সহায়ৰ হাত আগবঢ়োৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আৰম্ভ কৰিছে। ৰাজ্যৰ ৩২ লাখ মহিলাক এই অভিযানৰ জৰিয়তে ১০ হাজাৰ টকাকৈ প্ৰদান কৰাৰ বাবদ ৰাজ্য চৰকাৰৰ ৩, ২০০ কোটি টকা ব্যয় হ'ব আৰু এই সমুদায় টকা মহিলাসকলৰ বেংক একাউণ্টত জমা হ'ব। একমাত্ৰ মহিলাকেন্দ্ৰিক এনে বৃহৎ আঁচনি পূৰ্বতে অসমত কেতিয়াও গ্ৰহণ কৰা হোৱা নাছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'কেৱল মহিলাৰ বাবে এনে বৃহৎ আঁচনি পূৰ্বৰ কোনো চৰকাৰে অসমত ৰূপায়ণ কৰা নাছিল আৰু এনেধৰণৰ আঁচনি ল'ব বুলি ভাবিবও পৰা নাছিল। এই আঁচনিখনৰ জৰিয়তে চৰকাৰে মহিলাসকলক তেওঁলোকৰ বেংক একাউণ্টযোগে কপোনপটীয়াকৈ ধনৰাশি আগবঢ়োৱাৰ কাম আৰম্ভ কৰিছে, যাতে তেওঁলোকে উদ্যমিতাৰ দিশেৰে আগবাঢ়ি লাখপতি বাইদেউ হ'ব পাৰে।' ৰাজ্য চৰকাৰে ছয় মাহৰ পিছত ঘৰে ঘৰে গৈ মূল্যায়নৰ ব্যৱস্থা কৰিব। এই পুঁজিৰ সদ্ব্যৱহাৰ হ'লে পৰৱৰ্তী পৰ্যায়ত ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব বুলি ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। সেই পুঁজিৰো পুনৰ মূল্যায়ন কৰা হ'ব আৰু সদ্ব্যৱহাৰ কৰাসকলক তৃতীয় বৰ্ষত ৫০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই অভিযানৰ পৰৱৰ্তী ধনৰাশি পাবৰ বাবে সন্তানৰ সংখ্যা তিনিটাৰ ভিতৰতে সীমাবদ্ধ ৰাখিবলৈ তেওঁ মহিলাসকলক আহ্বান জনায়। তেওঁ কয় যে সন্তানৰ সংখ্যা অধিক হ'লে মহিলা এগৰাকীয়ে সন্তানৰ পঢ়া-শুনাকে ধৰি বিভিন্ন কাম-কাজত ব্যস্ত থাকিবলগীয়া হ'ব আৰু ইয়াৰ ফলত তেওঁলোকে নিজ কৰ্মক্ষেত্ৰত বেছি সময় দিব নোৱাৰিব। বৰক্ষেত্ৰী সমষ্টিত ২৭, ৬৬৩ গৰাকী হিতাধিকাৰীয়ে অৰুণোদয় আঁচনি লাভ কৰি আছে বুলি উল্লেখ কৰি সমষ্টিটোত নতুনকৈ দুই হাজাৰ মহিলাক অৰুণোদয় আঁচনিৰ দ্বাৰা সমাৰি ল'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে। তেওঁ লগতে কয় যে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ জৰিয়তে ৪০ লাখ মহিলাই ৮ হাজাৰ টকাকৈ লাভ কৰিব। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত উদ্যমিতা অভিযান, অৰুণোদয়, নিযুত মইনা, বিনামূলীয়া চাউল আদি প্ৰদানৰ কথা ভাষণত উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বৰ্তমানে মাত্ৰ ১০০ টকাতে প্ৰদান কৰি অহা ৰ কিলোগ্ৰামকৈ দাইল, চেনি আৰু নিমখ বিনামূলীয়া কৰাৰ লগতে ১ লিটাৰকৈ মিঠাতেল আগন্তুক সময়ত বিনামূলীয়াকৈ প্ৰদানৰ আশ্বাস প্ৰদান কৰে। তেওঁ লগতে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনৰ প্ৰায় ৫ বছৰীয়া কাৰ্যকালত গ্ৰহণ কৰা বিভিন্ন আঁচনি আৰু পদক্ষেপৰ জৰিয়তে ৰাজ্যখনৰ দুখীয়া-দৰিদ্ৰ জনসাধাৰণে পৰিয়াল চলোৱাত যথেষ্ট সকাহ লাভ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানৰ চৰকাৰৰ কাৰ্যকালত ১.৫০ লাখতকৈও অধিক যুৱক-যুৱতীয়ে স্বচ্ছভাৱে চৰকাৰী চাকৰি লাভ কৰিছে। ৰাজ্যখনলৈ যে এনে পৰিৱৰ্তন আহিব সেই কথা পূৰ্বতে কোনেও কল্পনা কৰিব পৰা নাছিল। বৰক্ষেত্ৰী সমষ্টিত আয়োজিত এই অনুষ্ঠানত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, নলবাৰী জিলা পৰিষদৰ সভানেত্ৰী গীতুমণি বৈশ্যকে ধৰি বহুসংখ্যক বিশিষ্ট ব্যক্তি, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অভিযান সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈ আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জিলা আয়ুক্তকে ধৰি জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল আৰু হিতাধিকাৰী মহিলাসকল উপস্থিত থাকে।

# ডাভোছত পেপছিকোৰ চিইঅ'-উপাধ্যক্ষৰে বৈঠক মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসমক প্ৰতিনিধিত্ব কৰি ডাভোছত ৱৰ্ল্ড ইক'নমিক ফ'ৰামত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা ৪ দিনত বিদেশৰ বৃহৎ কোম্পানী, উদ্যোগক অসমত বিনিয়োগৰ আহ্বান জনাই বিশ্বৰ ১৬খন দেশৰো অধিক বহুজাতিক কোম্পানীৰ ২০০ গৰাকী উদ্যোগপতি আৰু কূটনৈতিক নেতাৰ সৈতে মিলিত হৈ প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতি লাভ কৰিবলৈ সক্ষম হৈছে। শুকুৰবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই অভিযানৰ সামৰণি মাৰে। 'অসমৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে সমৃদ্ধিৰ এক অভিজ্ঞতা- ডাভোছ' বুলি মত ব্যক্ত কৰি চাৰিদিনীয়া এই ভ্ৰমণসূচীৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে 'বিশ্বৰ বাণিজ্য-অৰ্থনীতিৰ সৈতে সম্পৃক্ত ২০০ৰো অধিক উদ্যোগপতি আৰু শীৰ্ষস্থানীয় ব্যক্তিৰ সৈতে মিলিত হৈছিলোঁ, বিভিন্ন আলোচনা-সত্ৰত অংশগ্ৰহণ কৰিছিলোঁ, দেশ-বিদেশৰ সংবাদ-মাধ্যমৰ পৰা শুভাকাংক্ষী তথা নতুন অসমক লৈ উৎসুকতা প্ৰকাশ কৰাসকলৰ সৈতে আমি কথা পাতিছিলোঁ- এই সকলোতে প্ৰতিটো পল অসমী আইৰ নামত উছৰ্গা কৰি আমি কৈছিলোঁ নৱ উদ্ভাসিত অসমৰ কথা, নতুন সম্ভাৱনাৰ কথা।' আনহাতে, অসমৰ ভৱিষ্যতৰ বাবে এই সন্মিলনত অংশগ্ৰহণ অত্যন্ত (দহ পৃষ্ঠাত চাওক)

# সৰস্বতী পূজাৰ দিনাই ১০৮ এম্বুলেঞ্চৰ খুন্দাত নিহত যুৱতী



ৰঙিলী বাৰ্ত্তাসেৱা- সৰস্বতী পূজাৰ দিনটোতে গুৱাহাটী মহানগৰীত সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। সৰস্বতী পূজাৰ আনন্দৰ মাজতে জীৱনদায়িনী ১০৮ এম্বুলেঞ্চৰ উদণ্ড চালকৰ বাবে কাহিলিপাৰাৰ সৰ্বশিক্ষা কাৰ্যালয়ৰ সন্মুখত সংঘটিত শোকাৱহ দুৰ্ঘটনাত এগৰাকী যুৱতীৰ থিতাতে মৃত্যু হোৱাৰ লগতে আন এজন যুৱক গুৰুতৰভাৱে আহত হয়। থিতাতে থিতাতে মৃত্যু হোৱা যুৱতীগৰাকী বঙাইগাঁৱৰ উত্তৰ শালমাৰাৰ ২৬ বছৰীয়া লুনা ভৰদ্বাজ। আনহাতে দুৰ্ঘটনাটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় দেৰগাঁৱৰ অচ্যুত বৰুৱা নামৰ ২৪ বছৰীয়া এজন যুৱক। বৰ্তমান সংকটজনক অৱস্থাত GMCH ৰ আই চি ইউত চিকিৎসাধীন হৈ আছে যুৱকজন। ভঙাগড়ৰ জিএমচিএইচৰ দিশৰ পৰা এ এছ-০১ বিজি ৬৩১৩ নম্বৰৰ ৰঙা স্কুটীৰে কাহিলিপাৰা অভিমুখে আহি আছিল। ইপিনে বিপৰীতে দিশৰ পৰা তীব্ৰবেগেৰে এ এছ ০১ এমচি ৯১৬৪ নম্বৰৰ ১০৮ মৃত্যুঞ্জয় সেৱাৰ এম্বুলেঞ্চখনো কাহিলিপাৰাৰ সৰ্বশিক্ষা কাৰ্যালয়ৰ বিপৰীত দিশে থকা পাহাৰীয়া পথেৰে যাবলৈ আগবাঢ়িছিল। (দহ পৃষ্ঠাত চাওক)

# কোচিত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ তৃতীয় অধিৱেশন




ৰঙিলী বাৰ্ত্তাসেৱা- কেৰালাৰ কোচিত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদ (IWDC 3.0)ৰ তৃতীয় অধিৱেশন অনুষ্ঠিত হয়। অধিৱেশনত ভাৰতৰ অন্তৰ্দেশীয় জল পৰিবহণ নেটৱৰ্কৰ সম্প্ৰসাৰণৰ এক বিস্তৃত ৰোডমেপ, আন্তঃগাঁথনিগত বিনিয়োগত অনুমোদন আৰু কেন্দ্ৰ-ৰাজ্যৰ সমন্বয় শক্তিশালী কৰি দেশৰ নদীসমূহৰ সম্পূৰ্ণ অৰ্থনৈতিক সম্ভাৱনা মুকলি কৰাৰ কথা ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অনুষ্ঠিত এই এদিনীয়া বৈঠকত হিমাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী মুকেশ অগ্নিহোত্ৰী, বিহাৰৰ পৰিবহণ মন্ত্ৰী শ্ৰৱণ কুমাৰ, নাগালেণ্ডৰ বিদ্যুৎ আৰু সংসদীয় কাৰ্য বিভাগৰ মন্ত্ৰী কে জি কেন্যে, অৰুণাচল প্ৰদেশৰ গ্ৰামোন্নয়ন মন্ত্ৰী অ'জিং তাচিং, উত্তৰ প্ৰদেশৰ পৰিবহণ মন্ত্ৰী দয়া শংকৰ সিং আৰু পঞ্জাবৰ জলসম্পদ মন্ত্ৰী বাৰিন্দৰ কুমাৰ গোৱেল উপস্থিত থাকে। এই বৈঠকে ভাৰতৰ অন্তৰ্দেশীয় জলপৰিবহণক দীৰ্ঘম্যাদী আৰু দক্ষ লজিষ্টিকছৰ মূল স্তম্ভ হিচাপে শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি চিহ্নিত কৰিছে। এই বৈঠকত ১,৫০০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্প ক্ষিপ্ৰতাৰে ৰূপায়ণ কৰাত গুৰুত্ব আৰোপ কৰা হয়, যিয়ে সেউজ গতিশীলতা ত্বৰান্বিত কৰা, মাল্টিম'ডেল লজিষ্টিক শক্তিশালী কৰা আৰু নদী-নিৰ্ভৰ অৰ্থনৈতিক বিকাশক প্ৰসাৰিত কৰাৰ লক্ষ্য ৰাখিছে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে ১৫০ কোটি টকাৰো অধিক মূল্যৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে, যাৰ ভিতৰত কেৰালা, গুজৰাট, কৰ্ণাটক, ওড়িশা আৰু তেলেংগানাত নদী ক্ৰুজ জেটি অন্তৰ্ভুক্ত কৰা হৈছে, যিয়ে দেশজুৰি ক্ৰুজ পৰ্যটন চাৰ্কিট সম্প্ৰসাৰণত সহায় কৰিব। অন্ধ্ৰপ্ৰদেশৰ কৃষ্ণা নদীৰ মুক্ত্যালা আৰু হৰিশ্চন্দ্ৰপুৰমত ৰো-ৰো আৰু মালবাহী টাৰ্মিনেলৰ বিকাশৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়, যিয়ে মালবাহী পৰিবহণক শক্তিশালী কৰিব। জম্মু আৰু কাশ্মীৰৰ জেলাম নদীত যাত্ৰী পৰিবহণ আৰু পৰ্যটন পৰিকাঠামোৰ বাবে অন-শ্ব'ৰ সুবিধা অনুমোদিত হৈছে। ৰাষ্ট্ৰীয় জলপথ-৪৯ত মুঠ ১০খন হাইব্ৰিড ইলেক্টিক জাহাজ মোতায়েন কৰা হ'ব। ৪৬৫ কোটি টকাৰো অধিক মূল্যৰ সম্পত্তি সংগ্ৰহৰ বিষয়েও ঘোষণা কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত ৯০০ কোটি টকাৰো অধিক মূল্যৰ নতুন প্ৰকল্পৰ ৰূপায়ণৰ বিষয়ে এই বৈঠকত আলোচনা কৰা হৈছে, য'ত কোচিত শ্লিপৱে সুবিধা বিকাশ, মুঠ ১১০টা জেটি (ওড়িশাত ২৫টা) আৰু (উত্তৰ-পূৱত ৮৫টা) নিৰ্মাণ, মহাৰাষ্ট্ৰত ৰাষ্ট্ৰীয় নদী ট্ৰেফিক আৰু নেভিগেচন ছিষ্টেমৰ ৰূপায়ণ, গুৱাহাটীৰ উজান বজাৰ ঘাটত ৭০ কোটি (দহ পৃষ্ঠাত চাওক)

# গণেশ দাস হাইস্কুলত সৰস্বতী পূজা উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- বস্ত্ৰনগৰী শুৱালকুছিত প্ৰতি বছৰে পূজা-পাৰ্বন, সকলো উৎসৱ পালন কৰা হয়। তাৰ ভিতৰত শিক্ষাৰ্থীসকলৰ বাবে বিদ্যাৰ অধিষ্ঠাত্ৰী মাঁ দেৱী সৰস্বতী পূজাভাগ অন্যতম। শুৱালকুছিৰ সকলো শিক্ষানুষ্ঠানতে পূজাভাগ আয়োজন কৰিছে। বিগত বৰ্ষৰ দৰে এইবেলিও শুৱালকুছি গণেশ দাস হাইস্কুলতো পূজাভাগ আধ্যাত্মিক ভাবেৰে সুন্দৰ উপস্থাপন কৰিছে। পঢ়ি থকা ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাপ্তন ছাত্ৰ-থাত্ৰী সকলেও দেৱীৰ আশীষ লৈছে।

# আজি বৰ্ষাপাৰাত ভাৰত

ভিৰৰ প্ৰতি লক্ষ্য ৰাখি বিমানবন্দৰত কটকটীয়া নিৰাপত্তা বেষ্টনীও গঢ়ি তোলা হয়। বিমানবন্দৰৰ পৰা দুয়োটা দলে পৃথক পৃথক বাছত ৰেডিচন ব্লু হোটেললৈ ৰাওনা হয়। বিশ্বৰ দুটা আগশাৰীৰ দলৰ মাজত গুৱাহাটীত হ'বলগীয়া খেলখনক লৈ ক্ৰিকেট অনুৰাগীৰ মাজত উৎসাহ-উদ্দীপনা বৃদ্ধি পোৱাৰ লগতে খেলখনৰ বাবে ইতিমধ্যে প্ৰায় সকলো টিকট বিক্ৰী হৈছে। ইপিনে বিমানবন্দৰত উপস্থিত হোৱাৰ পিছতে ভাৰতীয় দলটোৰ অধিনায়ক সূৰ্যকুমাৰ যাদৱ আৰু প্ৰশিক্ষক গৌতম গম্ভীৰে পোনে পোনে বৰ্ষাপাৰা ষ্টেডিয়ামলৈ ৰাওনা হয়। সুকলমে ষ্টেডিয়ামত প্ৰৱেশ আৰু নিৰাপত্তাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি বিয়লি ৪ বজাৰ পৰা দৰ্শকৰ বাবে ষ্টেডিয়ামৰ প্ৰৱেশদ্বাৰা মুকলি কৰি দিয়াৰ ব্যৱস্থা কৰিছে অসম ক্ৰিকেট সন্থাই।

# কোনো হিন্দু পৰিয়াল-

প্ৰতিৰোধ কৰি আছে। নহ'লে ক'তোৱেই যদি প্ৰতিৰোধ নকৰোঁ, ৱাকঅভাৰ পাই যাব। সেয়েহে এছ আৰৰ জৰিয়তে দুই-চাৰিখন ন'টিচ যাব, উচ্ছেদৰো দুই-চাৰিখন ন'টিচ যাব, সীমান্ত আৰক্ষীৰো ন'টিচ যাব। এইবিলাক উৎপাত আমি কৰিয়েই থাকিম। আইনৰ গণ্ডীৰ ভিতৰত যিমান ব্যৱস্থা আছে সেই ব্যৱস্থাৰ জৰিয়তে ন'টিচ দিয়াৰ আমাৰ অধিকাৰ আছে, যিকোনো বিজেপিৰ লোকে অভিযোগ দিব পাৰে, গতিকে অভিযোগ দিয়া হ'ব। সীমান্ত আৰক্ষীক যিকোনো লোকে সন্দেহযুক্ত লোকৰ বিৰুদ্ধে অভিযোগ দিব পাৰে, গতিকে সেই অভিযোগো আমি দিম। চৰকাৰী মাটিত বহিলেও আমি ন'টিচ দিব পাৰোঁ, দিম। গতিকে আমি অলপ অলপ উৎপাত কৰিয়ে থাকিম। নহ'লে মিঞাই ভাবিব, অসমীয়াক আমি ফুৰাই উৰুৱাই দিলোঁ। এতিয়া ওপৰত ৰ'লাৰখন চলাই দিলেই হ'ব। তেনেকৈ নহ'ব। মিঞা হওক, অসমীয়া হওক, দুখীয়া-দৰিদ্ৰ সকলো লোকৰ লগত এই চৰকাৰ আছে। কিন্তু আমাৰ জাতিটোক শেষ কৰি দিয়া লোকৰ লগত আমি নাই। জাতিটোৱে ক'ৰবাত নহয় ক'ৰবাত প্ৰতিৰোধ কৰি থাকিব লাগিব। মই থকালৈকে সন্দেহযুক্ত মিঞাক দিগদাৰী কৰিয়ে থাকিম। মোক বুদ্ধিজীৱীয়ে লৰচৰ কৰাব নোৱাৰে। উচ্ছেদ হ'বই, বহুবিবাহ বন্ধ হ'ব। বুদ্ধিজীৱীয়ে বুদ্ধিজীৱীৰ কাম কৰক, মই মোৰ কাম কৰিম। গতিকে এছ আৰৰ যোগে জাননী গৈছে। অফিচলৈ আহিছে, অলপ কষ্ট খাইছে। এইবিলাকতো দি থাকিবই লাগিব।

# জম্মু-কাশ্মীৰত ২০০ ফুট খাবৈত বাগৰি পৰিল সেনাৰ বাহন



ৰঙিলী বাৰ্ত্তাসেৱা- জম্মু-কাশ্মীৰত সংঘটিত হৈছে এক ভয়ংকৰ দুৰ্ঘটনা। জম্মু কাশ্মীৰৰ ডোডা জিলাৰ থানালাৰ ওপৰৰ অঞ্চলৰ ভাদেৰৱাহ-চাম্বা পথত সেনা বাহিনীৰ এখন বাহন নিয়ন্ত্ৰণ হেৰুৱাই প্ৰায় ২০০ ফুট দ খাবৈত বাগৰি পৰে। ঘটনাস্থলীতেই প্ৰাণ হেৰুৱায় ১০জন জোৱানে আৰু আন ১০জন জোৱান গুৰুতৰভাৱে আহত হয়। সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে, গাড়ীখনত কমেও ২০জন সেনা আছিল। ভদ্ৰৱাহ-চম্বা পথৰ ওপৰত খন্নিতপত দুৰ্ঘটনাটো সংঘটিত হয়। কিবা কাৰণত নিয়ন্ত্ৰণ হেৰুৱাই গাড়ীখনে খাবৈত পৰি যায়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হয় সেনা আৰু আৰক্ষীৰ যুটীয়া দল। যুদ্ধকালীন তৎপৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ হৈছে। এই পৰ্যন্ত ১০জন জোৱানৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। গাড়ীখনত থকা বাকীসকলৰ অৱস্থাও আশংকাজনক। ফলত, মৃতকৰ সংখ্যা আৰু বাঢ়িব পাৰে বুলি আশংকা কৰা হৈছে। আহতসকলক বিমানেৰে উধমপুৰ সামৰিক হাস্পতাললৈ নিয়া হৈছে। ঘটনাৰ পিছতেই বিবৃতি প্ৰকাশ ( নপৃষ্ঠাত চাওক)

# ১ লাখ কোটি টকা বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিবলৈ সক্ষম হৈছোঁঃ মুখ্যমন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- অসমলৈ আগন্তুক সময়ত ৰ লাখ কোটি টকা বিনিয়োগৰ প্ৰতিশ্ৰুতি দিছে কেইবাগৰাকী উদ্যোগপতিয়ে। ২০ৰো অধিক বহুজাতিক উদ্যোগৰ ব্যৱসায়িক প্ৰতিষ্ঠানে অসমত এই পৰিমাণৰ বিনিয়োগ কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত ডব্লিউইএফৰ ক্ষেত্ৰৰ পৰা এই প্ৰস্তাৱ লাভ কৰা বুলি উল্লেখ কৰিলে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। ১৯ জানুৱাৰীৰ পৰা অনুষ্ঠিত হৈ থকা ডব্লিউইএফত অসমক প্ৰতিনিধিত্ব কৰা মুখ্যমন্ত্ৰী ডঃ শৰ্মাই এক নৈশভোজৰ অভ্যৰ্থনাত চাৰিখন মহাদেশৰ ১৫০ মিলিয়ন আমেৰিকান ডলাৰৰ অধিক সামগ্ৰীক টাৰ্ন-অভাৰক প্ৰতিনিধিত্ব কৰা ২০ৰো অধিক বহুজাতিক উদ্যোগৰ ব্যৱসায়িক নেতৃবৃন্দৰ সন্মুখত অসমৰ বিনিয়োগৰ সম্ভাৱনীয়তাক দাঙি ধৰিছিল। এই গুৰুত্বপূৰ্ণ বৈঠকত পাৱাৰ টু এক্স, ডেনমাৰ্কৰ মুখ্য কাৰ্যবাহী বিষয়া কিম হেডেগাৰ্ড, ছুইজাৰলেণ্ডৰ ফাউণ্ডেচন মণ্টেণ্ডৰ কাৰ্যবাহী সঞ্চালক গুইলাউম টেইলৰ আৰু সংযুক্ত আৰব যুক্তৰাজ্য ক্ৰিছেন্ট পেট্ৰ'লিয়াম, মুথুট ফিনকৰ্প, জেএছডব্লিউ চিমেন্ট গ্ৰুপৰ নেতাসকল উপস্থিত আছিল। ( নপৃষ্ঠাত চাওক)

# জামিন আবেদন প্ৰত্যাহাৰ শ্যামকানু আৰু সন্দীপনৰ



ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ কামৰূপ জিলা ন্যায়াধীশ আৰু সত্ৰ ন্যায়াধীশৰ আদালতত বৃহস্পতিবাৰে অনুষ্ঠিত হয় অসমীয়াৰ আৱেগ জুবিন গাৰ্গৰ ৰহস্যজনক হত্যাকাণ্ড ১৮/২০২৫নং গোচৰৰ পঞ্চমটো শুনানি। বৃহস্পতিবাৰে অভিযুক্ত তিনিজন ক্ৰমে অমৃত প্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিন আবেদনৰ শুনানি আদালতে গ্ৰহণ কৰে। আন দুই অভিযুক্ত ক্ৰমে শ্যামকানু মহন্ত আৰু সন্দীপন গাৰ্গে জামিন আবেদন আদালতৰ পৰা প্ৰত্যাহাৰ কৰে। তাৰ পিছতে আদালতে উক্ত তিনি অভিযুক্তৰ শুনানি গ্ৰহণ কৰে যদিও ৰায়দান সংৰক্ষিত কৰি ৰাখে। অহা ৩০ জানুৱাৰীত আদালতে জুবিন হত্যাকাণ্ডৰ গোচৰত মুঠ ৭ অভিযুক্তৰ চাৰ্জফ্ৰেমৰ লগতে তিনি অভিযুক্ত ক্ৰমে অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাৰ জামিনৰ ৰায় দিব। শুনানিত উপস্থিত থকা অধিবক্তা তথা গুৱাহাটী উকীল সন্থাৰ সাধাৰণ সম্পাদক অপূৰ্ব শৰ্মাই জনায় এই কথা। ইফালে প্ৰিয় শিল্পীৰ হত্যাকাণ্ডৰ অন্যতম অভিযুক্ত শ্যামকানু মহন্তৰ লগতে সম্পৰ্কীয় ভাতৃ সন্দীপন গাৰ্গে জামিন আবেদন আদালতৰ পৰা উঠাই লোৱাক লৈ ৰাজ্যজুৰি চৰ্চা চলিছে। কিন্তু কি কাৰণত তেওঁলোকে আবেদনখন উঠাই ল'লে সেই সন্দৰ্ভত বিশেষ তথ্য এতিয়ালৈকে লাভ কৰা নাই। শিল্পীগৰাকীৰ হৈ চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰৰ নেতৃত্বত অধিবক্তাৰ দলটোৱে আদালতত উক্ত তিনি অভিযুক্তৰ জামিন আবেদনৰ বিৰুদ্ধে বিৰোধিতাৰে আবেদন দাখিল কৰাৰ ( নপৃষ্ঠাত চাওক)

# ১৪ ফেব্ৰুৱাৰীত পুনৰ অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ অসমলৈ আহিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ডাভোছৰ পৰা ফেচবুক লাইভযোগে এই কথা ঘোষণা কৰে। ১৪ ফেব্ৰুৱাৰীত গুৱাহাটীলৈ আহিব লগা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ হোৱা গুৱাহাটী-উত্তৰ গুৱাহাটী দলংখন মুকলি কৰাৰ লগতে ১০০খন গ্ৰীন বাছৰ সেৱাও মুকলি কৰিব। এই ভ্ৰমণকালতে কোকৰাঝাৰ-গেলেফু ৰে'ললাইনৰ শুভাৰম্ভণি আৰু ৰে'ল ইঞ্জিন নিৰ্মাণৰ কাৰখানা এটাৰো শুভাৰম্ভ কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই প্ৰকাশ কৰে। সমান্তৰালভাৱে প্ৰধানমন্ত্ৰী মোদীয়ে ২২ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে ( নপৃষ্ঠাত চাওক)

# টি-২০ বিশ্বকাপ খেলিবলৈ ভাৰতলৈ নাহে বাংলাদেশ



ৰঙিলী বাৰ্ত্তাসেৱা- টি-২০ বিশ্বকাপ খেলিবলৈ ভাৰতলৈ নহাৰ সিদ্ধান্ত ল'লে বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে। ২০২৬ চনৰ ৭ ফেব্ৰুৱাৰীৰ পৰা ভাৰতত অনুষ্ঠিত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ২০২৬ত বাংলাদেশৰ দলটোৱে খেলিব নোৱাৰিব বুলি বৃহস্পতিবাৰে বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে স্পষ্ট কৰি দিয়ে। বৃহস্পতিবাৰে বাংলাদেশ ক্ৰিকেট ব'ৰ্ডে দেশৰ ক্ৰীড়া উপদেষ্টাৰ সৈতে হোৱা বৈঠকতে আইচিচিৰ সন্মানীয় প্ৰতিযোগিতাখনত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰত ভ্ৰমণ নকৰাৰ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। অৱশ্যে বিশ্বকাপ খেলাৰ ক্ষেত্ৰত এতিয়াও বিচিবি আশাবাদী। যদি বাংলাদেশৰ মেচসমূহ আন স্থানত আয়োজন কৰে, তেতিয়াহ'লে তেওঁলোকে দল প্ৰেৰণ ( নপৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ত চৰকাৰী পেঞ্চনাৰ সন্থাৰ উদ্যোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড়ত চৰকাৰী পেঞ্চনাৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা পষেকীয়া কাৰ্য্যসূচীৰ মতে বিনামুলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ, দিনৰ ৰব বজাৰ পৰা, ডিব্ৰুগড় লায়ন্স ক্লাবৰ সৌজন্যত অনুষ্ঠিত কৰা হয়। এই স্বাস্থ্য শিবিৰৰ শুভ উদ্বোধন কৰে, অসম চিকিৎসা মহাবিদ্যালয়ৰ অস্থিৰোগ বিভাগৰ সহযোগী অৱসৰপ্ৰাপ্ত অধ্যাপক ডাঃ গৌৰী শঙ্কৰ বৰগোহাঁইয়ে। স্বাস্থ্য শিবিৰ পৰিচালনা কৰে ডাঃ ভিক্তৰ তপ্ন, ডাঃ গৌতম বৰুৱা, ডিব্ৰুগড় লায়ন্স ক্লাবৰ মাণ্ডলিক সভাপতি ৰক্তিম গগৈ, ডিব্ৰুগড় লায়ন্স ক্লাবৰ সভাপতি মলয় চক্ৰৱতী চক্ৰৱৰ্তী, ডিব্ৰুগড় লায়ন্স ক্লাবৰ গ্ৰেটাৰ উপ সভানেত্ৰী গীতা বৰুৱা আৰু ডিব্ৰুগড় লায়ন্স ক্লাবৰ সম্পাদক সঞ্জীৱ চেটাৰ্জী। ডিব্ৰুগড় পেঞ্চনাৰ সন্থাৰ সম্পাদক মৃদুল শৰ্মাই আতঁধৰা অনুষ্ঠানটিত সভাপতিত্ব কৰে ডিব্ৰুগড় চৰকাৰী পেঞ্চনাৰ শাখাৰ সভাপতি দিলীপ কুমাৰ দাসে। সহযোগিতা আগবঢ়ায় কোষাধ্যক্ষ দীপক কুমাৰ নেওঁগ আৰু বৃকোদৰ দাসে। প্ৰায় পঞ্চাছজনৰো অধিক লোকক ব্লাড চুগাৰ, প্ৰেছাৰ, ইউৰিক এচিদ আদিকে ধৰি বিভিন্ন পৰীক্ষা কৰাৰ লগতে বিনামুলীয়া ঔষধ বিতৰণ কৰা হয়।

# দেশে দেশে দেৱী সৰস্বতী



শব্দৰ প্ৰতি মানুহৰ আকৰ্ষণ সহজাত। শব্দ অবিহনে মানুহে নিজৰ যাৱতীয় কাম কাজ নিয়াৰিকৈ চলাই নিব নোৱাৰে। শব্দ শক্তি মানুহৰ অস্তিত্বৰ এটা প্ৰধান আধাৰ। চিন্তা ভাৱনা কৰা সকলো লোকে শব্দৰ শক্তি আৰু ঐশ্বৰ্যক গভীৰভাৱে বিশ্বাস কৰে। আজিৰ পৰা বহু হাজাৰ বছৰ আগেয়ে প্ৰকৃতিৰ বিভিন্ন ঘটনাৰ সন্মুখত বিস্ময় বোধ কৰা মানুহে শব্দৰ উদ্ভাৱন কৰিছিল। জোন - বেলি, পানী, আকাশ, তৰা, মাটি, বিজুলী - ঢেৰেকণি, ৰ'দ - বৰষুণ, দিন - ৰাতি - এই সকলোবোৰ বুজাবলৈ মানুহক শব্দৰ প্ৰয়োজন হৈছিল। শব্দই মানুহৰ মৰম চেনেহ, আনন্দ - বিষাদ - এই সকলোবোৰ ধৰি ৰাখিছিল। আমি সভ্যতা বুলিলে আজি যি বুজোঁ, সেই সভ্যতাৰ তেতিয়া কোনো চিন মোকামেই নাছিল। সেই সময়ৰ কোনো এটা অঞ্চলত বাস কৰা মানুহৰ

**জ্যোতি খাটনিয়াৰ**

সংখ্যা আছিল তেনেই কম। প্ৰত্নতত্ত্ববিদ V. Gordon Childe ৰ ধাৰণাত তেনেকুৱা এটা পৰিবেশত এমুঠি মান মানুহহে আছিল। অৰ্থাৎ এই এমুঠি মানুহৰ মাজত শব্দ, ভাষা, গণনা, ছবি - এইবোৰৰ বিকাশ হৈছিল। শব্দই হৈ পৰিছিল মানুহৰ শক্তি আৰু সাহস। মানুহে এক গোট হৈ থাকিবলৈ এটা যেন উপায় বিচাৰি পাইছিল। প্ৰকৃতিৰ ঘটনাবোৰৰ আঁৰত মানুহে যেনেকৈ কিছুমান অতি প্ৰাকৃতিক শক্তিৰ কল্পনা কৰিছিল, তেনেদৰে শব্দ আৰু ভাষাৰ মাজতো মানুহে এক শক্তি বিচাৰি লৈছিল। জন্ম হৈছিল শব্দই ব্ৰহ্ম জাতীয় ধাৰণাৰ। ই এক মেজিক ধৰ্মী বিশ্বাস। নৃতত্ত্ববিদ ক্ল' লেভি ষ্ট্ৰছৰ (Claude Lévi-Strauss) ধাৰণাত আদিম মানুহবোৰে বিভিন্ন ঘটনাৰ মাজত লয় বা শৃংখলা বিচৰাৰ এটা অহৰহ চেষ্টা কৰি আছিল। ষ্ট্ৰছে বৰ্ণনা কৰা The Savage Mind এ আপাততঃ সম্পৰ্ক নথকা বিভিন্ন ঘটনাৰ মাজেৰে এখন সৌন্দৰ্যবোধৰ জগতো গঢ়ি তুলিবলৈ সক্ষম হৈছিল। এইটো এটা ৰূপান্তৰৰ প্ৰক্ৰিয়া। দেৱী সৰস্বতীৰ ধাৰণাৰ উৎপত্তি, বিকাশ আৰু বৰ্তমানৰ প্ৰেক্ষাপটত ইয়াৰ অৱস্থান ওপৰৰ কথাখিনিৰ আলমত চালি জাৰি চাব পাৰি। শব্দই যিহেতু এক শক্তি বহন কৰে, সেয়েহে শব্দৰ সৈতে দৈৱিক শক্তি বা অনুপ্ৰেৰণাক জড়িত কৰাৰ বিষয়টোত কোনো অস্বাভাৱিক কথা জড়িত হৈ থকা নাই।

বৈদিক যুগৰ ঋষিসকলে শব্দ বা বাকৰ সৈতে জড়িত কৰা দেৱীগৰাকীয়ে হ'ল সৰস্বতী। বৈদিক যুগত সৰস্বতীৰ সৈতে অৱশ্যে আৰু কেইটামান জড়িত হৈ আছে। বৈদিক যুগত সৰস্বতীক যুদ্ধৰ এক পৰিৱেশৰ সৈতেও সংলগ্ন কৰা হৈছে। এই দেৱীয়ে ৰুদ্ৰৰ ধনুক লক্ষ্যভেদ কৰিবলৈ বেঁকা কৰি দিয়া বুলি কোৱা হৈছে, যাতে শত্ৰুৰ বিনাশ হয়। তেওঁ মানুহৰ প্ৰয়োজনীয়তাতে যুদ্ধৰ পৰিৱেশ এটা গঢ়ি তোলে বুলি কোৱা হৈছে। লগতে, তেওঁ মৰ্ত্য আৰু স্বৰ্গ দুয়োটাকে ভেদ কৰিব পৰাৰ শক্তিও বহন কৰে।

বৈদিক যুগত সৰস্বতী এখন নদীও। এই নদী অতি পবিত্ৰ আৰু জ্ঞানৰ সৈতে সম্পৰ্কিত। বহুতৰ মতে উত্তৰ- পশ্চিম ভাৰতত প্ৰবাহিত হোৱা এই নদী বৰ্তমানৰ থৰ মৰুভূমিত পৰিছিলগৈ। ধাৰণা কৰা হৈছে যে ৫০০০ বছৰ পূৰ্বেই এই নদী নোহোৱা হৈ গ'ল। সৰস্বতী দেৱী আৰু সৰস্বতী নদীৰ সম্পৰ্কৰ তাৎপৰ্য নানা ধৰণৰে বিশ্লেষণ কৰাৰ অৱকাশ নথকা নহয়। আমি ক'ব পাৰো যে ঋগবেদৰ যুগত সৰস্বতীক নদী আৰু বাক্য, দুয়োটা ৰূপতে পোৱা গৈছিল। বিখ্যাত বেদজ্ঞ ড° যোগীৰাজ বসুৰ মতে ঃ "বেদত বৰ্ণিত প্ৰত্যেক দেৱতাই একো একোটা পাৰ্থিৱ বস্তু বা পাৰ্থিৱ পদাৰ্থৰ প্ৰতীক। অৰ্থাৎ একো একোটা পাৰ্থিৱৰ চৈতন্যসত্ত্বা বা অধিষ্ঠাতা একো একোজন দেৱতা।" ঋগবেদত সৰস্বতীয়েই সত্য বাক্য ৰূপে অৱস্থান কৰে। তেওঁ সকলো মানুহৰ শিক্ষয়িত্ৰী। তেওঁ লগতে জ্ঞান উদ্দীপিকা শক্তি। সেইকাৰণে দেৱী সৰস্বতীক প্ৰণাম কৰা হৈছে। সৰস্বতীক আকৌ নগৰ এখন ধৰি ৰখা শক্তি বুলিও কোৱা হৈছে। তেওঁ লোহাৰে তৈয়াৰী নগৰৰ ধাৰিণী হৈয়ো পানীৰ সৈতে গমনশীলা। এই কথাটোৰ অতি গভীৰ তাৎপৰ্য আছে। মহাভাৰতত সৰস্বতীক বেদমাতা বুলি কোৱা হৈছে। তৈত্তিৰীয় ব্ৰাহ্মণতো সৰস্বতীক বেদমাতা বুলি কোৱা হৈছে। শক্তি তত্ত্বৰ বিশেষজ্ঞ ভাৰতীয় বিদ্বান ড° শশীভূষণ দাসগুপ্তৰ মতে মহাসৰস্বতী, মহালক্ষ্মী আৰু মহাকালী একেগৰাকী দেৱীৰে তিনিটা ৰূপ। সাত্বিক, ৰাজসিক আৰু তামসিক- এই তিনি ৰূপৰ তেওঁলোক তিনি প্ৰতিনিধি।

ভাৰতীয় শিল্পীসকলে প্ৰতিমা শিল্পত সৰস্বতীৰ কল্পনা কৰা ৰূপ শান্ত আৰু পবিত্ৰ। ড° কল্যাণ কুমাৰ দাসগুপ্তৰ মতে খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা সৰস্বতীৰ প্ৰতিমা দেখা যায়। এই প্ৰতিমাত তেওঁ হাতত বীণা লৈ পদুমৰ ওপৰত থিয় হৈ আছে। তেওঁৰ হাত দুখন। মথুৰাত পোৱা এটা পুৰণা সৰস্বতী মূৰ্তিৰ সোঁ হাতখন ভঙা। আৰু বাওঁ হাতখনত কিতাপ আছে। এই মূৰ্তি ১৩২ খ্ৰীষ্টাব্দৰ বুলি ভবা হয়। এই মূৰ্তিক জৈন উপাসনাৰ সৈতে জড়িত বুলিও ধাৰণা কৰা হয়। ৰাজস্থানত পোৱা একাদশ শতিকাৰ এটা সৰস্বতী মূৰ্তিত চাৰিখন হাত দেখা গৈছে। দাক্ষিণাত্যৰ কিছুমান সৰস্বতী মূৰ্তিত তেওঁক নৃত্য কৰি থকা অৱস্থাত দেখা গৈছে। কৰ্ণাটক আৰু অন্ধ্ৰ প্ৰদেশত নৃত্যশীলা সৰস্বতী পোৱা যায়। দুটা এটা সৰস্বতী মূৰ্তিত তেওঁ আকৌ সিংহৰ সৈতে আছে। বহুতৰ ধাৰণাত লক্ষ্মী আৰু সৰস্বতীৰ মাজত মৌলিক পাৰ্থক্য নাই। তেওঁলোক দুয়োগৰাকীয়ে জ্ঞান আৰু ধন ভক্তক প্ৰদান কৰিবলৈ সমানে সক্ষম।

মন কৰিবলগীয়া কথা এয়ে যে সৰস্বতীৰ কথাটো অকল ভাৰতভূমিতেই সীমাবদ্ধ নহয়। ই চীন, জাপান, কোৰিয়ালৈকে বিয়পি পৰিছে। বৌদ্ধ ধৰ্মৰ বিখ্যাত গ্ৰন্থ স্বৰ্ণপ্ৰভা সূত্ৰৰ ধৰ্মক্ষমাই চীনা ভাষালৈ কৰা অনুবাদৰ পৰা সৰস্বতীৰ ধাৰণাটো দক্ষিণ - পূব এছিয়াত বিয়পি পৰে। দেৱী সৰস্বতীক বৌদ্ধ চিন্তাই সকলো আকাংক্ষা, সম্পদ আৰু সফলতাৰ দেৱী বুলি ক'ব খুজিছে। এই সৰস্বতী দেৱীয়ে আঠবিধ অস্ত্ৰ হাতত লৈ ফুৰে । ষ্টেনফৰ্ড বিশ্ববিদ্যালয়ৰ এমেৰিটাছ প্ৰফেছৰ বাৰ্ণাড ফৌৰ (Bernard Faure) ৰ দৰে আলোচকৰ মতে সৰস্বতীৰ এই যুদ্ধৰ সৈতে জড়িত ৰূপটো বেদৰ পৰাই অহা। এই সৰস্বতীয়ে এজন ব্যক্তিয়ে কেনেকৈ বুদ্ধত্ব লাভ কৰিব পাৰে, তাৰ উপায় প্ৰদান কৰে। আমি জানো যে বৌদ্ধ চেতনাত স্মৃতিৰ এক বিশেষ ভূমিকা আছে। এই সৰস্বতীয়ে স্মৃতিক সবল আৰু ( ছয় পৃষ্ঠাত চাওক)

# উপেক্ষিত



প্ৰভাত বণিয়া

সুখ দুখৰ দোমোজাত থমকি নৰয় আয়ুস বেলি  
প্ৰৱাহমান নদী যাৰ আছে গতি দুৰ্বাৰ  
সহজ নহয় ভেটা বান্ধি ৰুদ্ধ কৰাৰ  
তত্ৰাচ অন্ত নাই  
নদীক অৱৰোধ কৰাৰ মন্ত্ৰণা  
ফুল ফুলে সুগন্ধত আমোলমোলায়  
দশোদিশ, চোতাল-পদুলি  
শকতি আছে কাৰ  
জলন্ত জুইক কাপোৰেৰে ঢাকি লুকাই ৰখাৰ  
প্ৰতিভা এনেকুৱাই  
অপচেষ্টা অপকৌশল নস্যাৎ কৰি  
যি পোহৰায় মানুহৰ অন্তৰাত্মা।

# জীৱনৰ মূল্য




আয়শা ছিদ্দিকা (আছৰি),বাংলিপাৰা, বৰপেটা

আহ্ মৃত্যু কিমান সহজ  
জীয়াই থকা কিমান কঠিন  
কত আৰ্তনাদ, কত চিঞৰ  
কত বগা কামিজত ৰক্তৰ  
ছোপ ছোপ কেঁচা ৰক্তিম দাগ ।  
হুইল চিয়াৰৰ ক্ৰেক ক্ৰেক শব্দ  
আৰু ফ্ল'ৰত অগণন চেণ্ডেলৰ  
ঘৰ্ষণৰ ছিপ ছাপ ছিৰ চিৰ শব্দ  
উফ ! জীৱনৰ মূল্যৰ এক নিদাৰুন  
হিচাপ যেন দি থৈ যায় এই  
অপ্ৰতীকৰ কিছু শব্দ বন্ধনীয়ে।  
সুস্থ দেশৰ সুস্থতাৰ প্ৰমাণ  
পোৱা নাযায় কেতিয়াও যেতিয়ালৈকে  
কোনো হস্পিতালৰ এই কৰুণ দৃশ্যৰ  
চাক্ষুস সাক্ষী স্বৰূপ নিজে নৰয়।  
দিন নে ৰাতি বুজাৰ সুযোগ নথকা  
এই জীৱন মৰণৰ ৰূপ নিৰ্ণয় কৰা  
কঠিন কেন্দ্ৰালয়ৰ ৰহস্য সাঁচাই  
যেন অদ্ভুত, অকল্পনীয়।  
ইয়াত কোনো ভেদাভেদ নাই  
নাই কোনো জাতি, ধৰ্ম কিংবা সম্প্ৰদায়  
অথবা সেউজীয়া গেৰুৱা ৰঙৰ  
তুল মাপ কৰাৰো সময় যেন নাই কাৰো  
কোনো দল সংগঠনৰ নিয়মতান্ত্ৰিক  
ভাষণৰ কোনো আভাস নাই ইয়াত ।  
ৰাজনীতি, কূটনীতি, কোনো এটাও নাই  
আছে মাথোঁ জীয়াই থকাৰ অপৰিসীম  
আগ্ৰহ, সুস্থ হৈ পুনৰায় ঘৰলৈ যোৱাৰ  
এক অনবদ্য এমুঠি হেঁপাহ।  
জীৱনতকৈ মৃত্যু সহজ জানিও  
জীয়াই থকাৰ সম্ভাৱনা থকাৰ  
শেষ সময়লৈ চেষ্টাৰ ক্ৰুটি নকৰে।  
আহা জীৱন ! কিয় ইমান মায়াৱী।

# বিশ্বৰ পৰ্যটন মানচিত্ৰত চৰাইদেউ মৈদাম ক্ষেত্ৰঃ সম্ভাৱনা আৰু সমস্যা



**দ্বীপেন বৰুৱা**

পৰ্যটন আধুনিক বিশ্বৰ এক গুৰুত্বপূৰ্ণ সামাজিক-অৰ্থনৈতিক প্ৰক্ৰিয়া। 'পৰ্যটন' শব্দটো লেটিন ভাষাৰ 'Tornus' শব্দৰপৰা উদ্ভৱ হৈছে যাৰ অৰ্থ হৈছে এটা স্থানৰ পৰা আন এটা স্থানলৈ ভ্ৰমণ কৰি পুনৰ নিজ স্থানলৈ ঘূৰি অহা। আধুনিক অৰ্থত, পৰ্যটন মানে কেৱল ভ্ৰমণেই নহয়; ই হৈছে শিক্ষা, সংস্কৃতি, অৰ্থনীতি, মানৱ সম্পৰ্ক আৰু আন্তঃৰাষ্ট্ৰীয় সৌহাৰ্দ্যৰ এক শক্তিশালী মাধ্যম। কোনো ব্যক্তি যেতিয়া বিনোদন, জ্ঞান আহৰণ, ধৰ্মীয় উদ্দেশ্য, স্বাস্থ্য বা সাংস্কৃতিক কাৰণত অস্থায়ীভাৱে নিজৰ বাসস্থান এৰি আন স্থানলৈ যায়, তেতিয়া সেই প্ৰক্ৰিয়াকেই পৰ্যটন বুলি কোৱা হয়। ইউনেস্কো (UNESCO)ৰ মতে, পৰ্যটন হৈছে এনে এক প্ৰক্ৰিয়া যিয়ে ঐতিহ্য, সংস্কৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ জৰিয়তে মানৱ সভ্যতাৰ স্থায়িত্ব নিশ্চিত কৰে। এই দৃষ্টিভংগীৰে চালে পৰ্যটন কেৱল ব্যৱসায় নহয়; ই এক সাংস্কৃতিক দায়িত্ব। ঐতিহাসিক স্থাপত্য, ধৰ্মীয় তীৰ্থস্থান, প্ৰাকৃতিক সৌন্দৰ্য আৰু বৈচিত্ৰ্যময় সংস্কৃতিৰ বাবে ভাৰতবৰ্ষই বিশ্বৰ পৰ্যটন মানচিত্ৰত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। এই বৃহৎ পৰ্যটন পৰিসৰৰ মাজতে অসমৰ চৰাইদেউ মৈদাম ক্ষেত্ৰ এক অনন্য ঐতিহ্যবাহী সম্পদ হিচাপে পৰিগণিত হৈছে।

চৰাইদেউৰ মৈদাম হৈছে অসমৰ টাই-আহোম জনগোষ্ঠীৰ গভীৰ আধ্যাত্মিক বিশ্বাস, চহকী ঐতিহ্য আৰু স্থাপত্য-ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন। আহোম ৰাজ শাসনৰ ছশ বছৰীয়া সোণালী ইতিহাসৰ স্বাক্ষৰ বহন কৰি আছে ঐতিহাসিক চৰাইদেউ মৈদামে। প্ৰবাদ অনুসৰি টাই-আহোমসকলৰ ভাষাত চে-ৰাই-ডয় (চে-নগৰ, ৰাই-জিলিকা, ডয়-পাহাৰ, অৰ্থাৎ পাহাৰৰ ওপৰত জিলিকি থকা নগৰ) নামৰ ঠাইখণ্ডকে আজি চৰাইদেউ বুলি জনা যায়। ১২১৫ খ্ৰীষ্টাব্দত চীন দেশৰ মাও লুং প্ৰদেশৰ পৰা নিজৰ জন্মভূমি এৰি স্বাধীন ৰাজ্য পতাৰ নিমিত্তে ১২, ০০০ সৈনিক, ৩, ০০০ ঘোঁৰা, খাম পেং নামৰ এটা দঁতাল হাতী, এজনী মাখুন্দী হাতী, সাঁচিপাতৰ বুৰঞ্জী পুথি, জ্যোতিষ আৰু চিকিৎসা শাস্ত্ৰৰ পুথি, ধৰ্মীয় পুথি, খেতিৰ সঁজুলি, যুদ্ধৰ সঁজুলি আৰু এবিধ খাৰ-বাৰুদৰ হিলৈ সহিতে স্বৰ্গদেউ চ্যাওলুং চ্যুকাফাই ১২২৮ খ্ৰীষ্টাব্দত সৌমাৰপীঠত ভৰি দিছিল আৰু সেই ভূখণ্ডক অভিহিত কৰিছিল ম্যুং-ডুন-চুন-খাম অৰ্থাৎ সোণোৱালী শস্যৰ দেশ। ইয়াৰ পাছৰ ইতিহাস বিছাৰিলে পোৱা যায় যে স্বৰ্গদেউ চ্যুকাফাই দিহিঙে-দিচাঙে উজাই-ভটিয়াই শেষত ১২৫৩ খ্ৰীষ্টাব্দত নগা পাহাৰৰ পাদদেশৰ চে-ৰাই-ডয়ত ভৰি থ'লে। ইয়াৰ পাছতে আৰম্ভ হ'ল চুতীয়া, কছাৰী, বৰাহী, মৰাণ সহিতে জনগোষ্ঠী আৰু জনসমষ্টিৰে এক সংমিশ্ৰণ, সমাহৰণ আৰু সমন্বয় সংস্কৃতিৰ বৃহত্তৰ আহোম ৰাজ্য গঠন প্ৰক্ৰিয়া।

এক কথাত ক'বলৈ গ'লে চৰাইদেউ আহোম শাসনকালৰ প্ৰথম স্থায়ী ৰাজধানী আছিল আৰু আহোম স্বৰ্গদেউসকলৰ সমাধিস্থলী। ইতিহাসৰ পাতত আহোম সাম্ৰাজ্যৰ বহুকেইখন ৰাজধানী চহৰ উজনি অসমত পোৱা যায় যদিও চৰাইদেউ ইয়াৰ ব্যতিক্ৰম। প্ৰথমজনা স্বৰ্গদেউ চ্যাওলুং চ্যুকাফাই দীৰ্ঘ সময় ধৰি ৰাজধানী পাতি চৰাইদেউক এখন নগৰৰ ৰূপ দিছিল আৰু ইয়াতে ইহলীলা সম্বৰণ কৰিছিল। তেতিয়া তেওঁৰ ডা-ডাঙৰীয়াসকলে দেৱতাৰ মৰ্যাদাৰে চৰাইদেউ পাহাৰত মৈদাম দিয়া প্ৰথাৰ আৰম্ভণি কৰে। টাই ভাষাত মৈদাম শব্দৰ অৰ্থ হৈছে- মৈ মানে শৰ আৰু দাম মানে দেৱতা অৰ্থাৎ দেৱতাৰ মৰ্যাদাৰে মৃতদেহ সমাধিস্থ কৰা। এই শৰদেহ সংকাৰ পদ্ধতিটো অসমৰ বা ভাৰতৰ কোনো জাতিৰ সৈতে মিল নাই।

একক আৰু অদ্বিতীয় এই মৈদাম সংস্কৃতি আহোমসকলে তেওঁলোকৰ লগতে লৈ আহিছিল। বুৰঞ্জীৰ মতে এই পদ্ধতি প্ৰাচীন গ্ৰীচ আৰু মিছৰীয় সভ্যতাৰ সৈতে মিল আছে। মিছৰীয়সকলৰ পিৰামিডৰ আৰ্হি ইয়াত দেখিবলৈ পোৱা যায়। অৱশ্যে কেৱল মৈদামসমূহেই নহয়, এখন পূৰ্ণাংগ আৰু পৰিকল্পিত চহৰ হিচাপে চৰাইদেউক গঢ় দিয়া আৰু সুকীয়া স্থাপত্য-ভাস্কৰ্যৰে এক সাংস্কৃতিক ঐতিহ্যৰ স্বাক্ষৰ ৰাখি থৈ যোৱা বাবেহে চৰাইদেউ মূলতঃ এখন উল্লেখযোগ্য পৰ্যটনস্থলী বুলি অভিহিত কৰিব পাৰি। এই মৈদামসমূহ কেৱল এক সমাধিস্থলেই নহয়; বৰং ই মধ্যযুগৰ আহোম শাসনকালৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু প্ৰচলিত ধৰ্মীয় ৰীতি-নীতিৰ সাক্ষ্য বহনকাৰী অনন্য স্থাপত্য। ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰ হিচাপে পৰিচিত এই ক্ষেত্ৰখনত প্ৰায় ৯০টা মৈদাম আছে, যাৰ ভিতৰত ৩০টা ভাৰত চৰকাৰৰ পুৰাতত্ত্ব বিভাগ আৰু অসম ৰাজ্যিক প্ৰত্নতত্ত্ব বিভাগৰ দ্বাৰা সংৰক্ষিত হৈ আছে। ইয়াৰ উপৰিও চৰাইদেউ মৈদামৰ কাষত বিভিন্ন সৰু-সৰু মৈদাম আছে যিসমূহ ৰজাৰ পৰিয়ালৰ সদস্যৰ সমাধিস্থল বুলি ধাৰণা কৰা হয়।

**আগলৈ..**

# অস্তিত্বৰ আৰ্তনাদ



**এহিয়া আহমেদ**
**বৰথল কছাৰীগাঁও, মৰিগাঁও**

নদীৰ বুকুত ক্ষত হৈ
চৰ-চাপৰি জন্মে, আকৌ লুপ্ত হয়;
সেই ক্ষতৰ ওপৰতে গঢ় লয়
চৰৰ মানুহৰ জীৱন-ধাৰণৰ স্বপ্ন।
বালিত লিখা নামবোৰ
নদীয়ে পঢ়িবলৈ নিদিয়ে,
জোৱাৰৰ আগতেই মচি পেলায়
একোটা পৰিচয়, একোটা অস্তিত্ব।
ঘামত সিজে যাৰ অন্ন,
ৰ'দে পুৰে দেহৰ ছাল;
তথাপিও তেওঁলোকৰ নিৰলস শ্ৰম
সন্দেহৰ চকুত যেন অপবিত্ৰ!
মাতৃভূমিৰ কোলাত জন্ম লৈয়ো
'মাতৃ' বুলি মাতিবলৈ আজি ভয়;
নিজৰ মাটিত থিয় হৈয়ো
প্ৰমাণ বিচাৰি ফুৰিব লাগে
আইন-আদালতৰ কাগজৰ বুকুত
নাম বিচাৰি বিচাৰি
আয়ুস নাইকীয়া হৈ পৰে;
শিশু বৃদ্ধ হয়, আৰু বৃদ্ধ হয় নিঃশেষ।
নিশাৰ নিস্তব্ধতাত
চৰ-চাপৰিৰ কেঁচা ঘৰৰ পৰা
উঠে এক নীৰৱ প্ৰশ্ন-
"আমি জানো এই মাটিৰ সন্তান নহয়?"
হে সমাজ,
নদীৰ সোঁত যেনেকৈ ৰুদ্ধ কৰিব নোৱাৰি,
তেনেকৈ চিৰকাল দমাই ৰাখিব নোৱাৰি-
মানৱতাৰ ক্ষুধা আৰু ন্যায়ৰ আৰ্তনাদ।

# দেশে দেশে দেৱী সৰস্বতী

শক্তিশালী কৰি ব্যক্তিগত দুখ যন্ত্ৰণাৰ পৰা আঁতৰাই ৰখাৰ এটা পথ মুকলি কৰে।

উল্লেখ্য যে চীনৰ পৰা এই সৰস্বতী জাপানলৈ খ্ৰীষ্টীয় ষষ্ঠ শতিকাত আগুৱাই যায়। তাত তেওঁক বেঞ্জেইটেন বুলি কোৱা হৈছে। এই সৰস্বতী হাতত বীণাৰ দৰে এক বাদ্য যন্ত্ৰ আছে। ইয়াক 'বিৱা' বুলি জনা যায়। এই সৰস্বতী আকৌ ড্ৰেগনৰ ওপৰত বহি থাকে। কেতিয়াবা সাপো তেওঁৰ সংগী। আমাৰ চুবুৰীয়া ব্ৰহ্মদেশত সৰস্বতীৰ উপাসনা কৰা হয়। থুৰাথাদি নামৰ এই সৰস্বতী গৰাকীয়ে বিদ্বান আৰু লেখকসকলক সুৰক্ষা দিয়ে। ম্যানমাৰৰ এই সৰস্বতীৰ সৈতে বিভিন্ন মেজিক সম্পৰ্কীয় বিশ্বাস জড়িত হৈ আছে। জৈনসকলে সৰস্বতীক সকলো জ্ঞানৰ উৎস বুলি ভাবে। মথুৰাৰ ওচৰত থকা বিখ্যাত কংকালী টিলাত জৈন সৰস্বতীৰ বহু পুৰণা মূৰ্তি আছে।

দাৰ্শনিক লুডৱিগ ৱিৎগেনষ্টাইনে শব্দক মানুহে বনাই লোৱা ভাষাৰ নিয়ম নীতিৰ সৈতে সংলগ্ন কৰিছে। দ্বিতীয়তে, য'ত শব্দ নাই, তাত ৱিৎগেংষ্টাইনে নীৰৱতাকেই গ্ৰহণ কৰিছে। ভাবি ভাল লাগে যে দেৱী সৰস্বতী আমি ব্যৱহাৰ কৰা শব্দ আৰু আমাৰ বাবে প্ৰয়োজন হোৱা নীৰৱতা- দুয়োটাৰে আঁৰৰ শক্তিৰূপে স্বীকৃত। দেৱী সৰস্বতীৰ উপাসনা দৰাচলতে জ্ঞান আৰু বিবেকৰ মহত্বলৈ এক নীৰৱ স্বীকৃতি।

JANASANYOG- 4116/25/25-Jan-26



ময়ূৰী বৰগোহাঁই,দশম শ্ৰেণী
জয়মতী উচ্চ মাধ্যমিক বিদ্যালয়,মাদুৰি, শিৱসাগৰ

# অস্তিত্ব ৰক্ষাৰ জিঘাংসাঃ এক সংঘাত



**যোৰাখণ্ডৰ পৰা..**

আচলতে জ্যোতি প্ৰসাদ আগৰৱালাদেৱে সৃষ্টি কৰি থৈ যোৱা সুন্দৰৰ হাতখন বৰ ৰসাল। কিন্তু বৰ্তমান সময়ত আমি তাকেই বুজিব নোৱাৰি ‘সুন্দৰৰ শিল্পী’জনাৰ সুন্দৰ সৃষ্টিক ম্লান কৰি তুলিছোঁ । অপ্ৰিয় হ’লেও এয়াই সত্য যে নিৰ্বাচনী সভাত উদাত্ত কণ্ঠেৰে জাতীয়তা-বাদৰ কথা কোৱা নেতাবোৰৰ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ দৰে গণশিল্পীক সন্মান জনাবলৈ কিঞ্চিত সময় নহয় । নিজ স্বাৰ্থ পূৰণৰ পাছত সকলো পাহৰি যায়! জ্যোতিৰ সেই সপোনৰ সেউজ অসমখনিত আজি চৌদিশে প্ৰৱঞ্চনাৰ মন্ত্ৰ চলে। কৃষ্টি- সংস্কৃতি আজি বিপন্ন, ধূসৰ ধোৱাৰে আচ্ছন্ন আজি অসমীয়া। ইয়াৰ প্ৰধান কাৰণ অৱশ্যে আমি নিজেই। নিজৰ এটা স্বকীয় ভাষিক, সাংস্কৃতিক ঐতিহ্য থকাৰ পিছতো আমি বহিঃৰাগত সংস্কৃতিক ৰঙা দলিচা পাৰি আদৰিছোঁ। আজিৰ দিনত জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ দৰে শব্দৰ বিপ্লৱী বাণেৰে অসমীয়াৰ হেৰুৱা চেতনাক পুনৰ জাগ্ৰত কৰিবলৈ, সৃষ্টিৰ বিপ্লৱী মালিতাৰে কৃষ্টিৰ পথাৰত নৱ আলোকধাৰা বোৱাবলৈ জ্যোতি প্ৰসাদ আগৰৱালাদেৱৰ দৰে এজন প্ৰকৃত শিল্পীৰ অভাৱ, সৃষ্টিশীল বিপ্লৱৰ অভাৱ, সেয়েতো আজি স্বাধীন হৈও আমি দুৰ্নীতিৰ পৰাধীন। আমি আজি এই পাৰিপাৰ্শ্বিক সমাজ-খনত প্ৰত্যেকেই সূৰ্যৰ সন্তান হৈ অহা উচিত, কিন্তু সেয়া কেৱল ইতিহাস ৰচিবলৈ নহয়, সৰ্বহাৰাৰ সৰ্বস্ব উভতাবলৈহে। নহ’লে হয়তো এনেদৰে চলি থাকিলে জ্যোতিৰ সেই সেউজ অসমখন নিঃশেষ হ’বলৈ বেছি সময় নালাগিব। ভাবি চাওকচোন এবাৰ জ্যোতিপ্ৰসাদ আগৰৱালা এজন অনা- অসমীয়ালোক হৈয়ো অসমীয়া জাতিক প্ৰাণ ভৰি ভাল পাই অসমীয়া ভাষা-সাহিত্যত মনোনিবেশ কৰি আন্তঃজাৰ্তিক পৰ্যায়ত অসমীয়া জাতিক প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল, তেন্তে আমি কিয় নোৱাৰিম ।

শেষত আজি জ্যোতিৰ এই জেউতি চৰাত মোক মনৰ কথাখিনি ব্যক্ত কৰাৰ সুযোগ দিয়াৰ বাবে অনুষ্ঠানটোৰ উদ্যোক্তাসকলক অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ, লগতে মোৰ চমু দুৰাষাৰ ইমানতে সামৰণি মাৰিব বিচাৰিছোঁ, ধন্যবাদ।

(২)

বহ্নিশিখা বৰুৱা, অসমৰ এখন নাম জ্বলা মহা-বিদ্যালয়ৰ সহকাৰী অধ্যাপিকা। ঠিক নামটি নামটোৰ দৰেই তাই। জুইৰ আঙনিৰ দৰে এখন সপ্ৰতীভ উজ্জ্বল বদন আৰু বহ্নিশিখাৰ দৰে এটা উদাত্ত কণ্ঠ ।

বহ্নিশিখাৰ দেউতাক ধীৰেন বৰুৱা গাঁৱৰে প্ৰাথমিক বিদ্যালয়খনৰ প্ৰধান শিক্ষক আছিল। দেউতাক ধীৰেন বৰুৱাই তাইৰ ককাদেউতাকে প্ৰতিষ্ঠা কৰি থৈ যোৱা গাওঁখনৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষাগ্ৰহণৰ একমাত্ৰ ভৰসা জ্ঞানজ্যোতি আদৰ্শ প্ৰাথমিক বিদ্যালয়ত ৩০ টা বছৰে বিনা-বেতনেৰে ছাত্ৰ-ছাত্ৰীসকল তথা অঞ্চলটোৰ প্ৰতি সেৱা আগবঢ়াই আহিছে। মাথোঁ দুবছৰ পূৰ্বে ধীৰেন বৰুৱা আৰু তেওঁৰ সহকৰ্মীসকলৰ অশেষ শ্ৰম, ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টাৰ বিনিময়ত বিদ্যালয়খন প্ৰাদেশীকৃত হ’বলৈ সক্ষম হৈছে। ধীৰেন বৰুৱাৰ একমাত্ৰ কন্যা সন্তান বহ্নিশিখা। ঘৰত সকলোৱে মৰমৰ শিখা। মাতৃৰ অবিহনে দেউতাকে বহ্নিশিখা আৰু তাই ককায়েক দিগ্বিজয়ক অতি কষ্টৰে ডাঙৰ কৰিছে। কোনোদিনে মাকৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাই। দেউতাকৰ মৰমত ডাঙৰ হোৱা বহ্নিশিখা আছিল সৰুৰে পৰা এক বেলেগ ধাতুৰে গঢ়া। ভালত ভাল আৰু বেয়াত অত্যন্ত বেয়া, কাৰোলৈকে ভয় নকৰা, নিৰ্ভীক, স্পষ্টবাদী, জেদী আৰু অত্যন্ত স্বাভিমানী । তাই যুক্তি আৰু কণ্ঠত জ্যেষ্ঠজনেও হাৰ মানিবলৈ বাধ্য হয়। কাৰোবাৰ দৃষ্টিত হয়তো তাই হ’ব পাৰে ডাঙৰৰ মুখে মুখে তৰ্ক কৰা, শিষ্টাচাৰ নজনা এজনী অভদ্ৰ আৰু অকমণ্য ছোৱালী। তাই চকুৰ আগত আনৰ ওপৰত হোৱা অন্যায় হোৱা কেতিয়াও চাই থাকিব নোৱাৰে। কোনো ব্যক্তিয়ে অভদ্ৰামী কৰিছে, প্ৰয়োজন সাপেক্ষে তাই সেই ব্যক্তিজনক অপমান কৰিবলৈও কুণ্ঠাবোধ নকৰে। লাগিলে সেই ব্যক্তিজন যিমানেই জ্যেষ্ঠ নহওঁক কিয়, যিমানে উচ্চ পদবীধাৰী ব্যক্তি নহওঁক কিয়। কাৰণ ব্যক্তিজনে নিজেই নিজৰ বয়সৰ মৰ্যাদাটো বুজি পোৱা নাই তেনেস্থলত তাইক কোনোৱে অভদ্ৰ বুলি ভাবে, তেন্তে তাইৰ ক’ব লগা একো নাই। কাৰণ তাই জানে যে তাই শুদ্ধ।

বহ্নিশিখা যে সৰুৰে পৰা এনে নাছিল । এজনী তেনেই নিৰ্জু, অমায়িক আৰু সহজ-সৰল ছোৱালী আছিল বহ্নিশিখা । কিন্তু সিহঁতৰ ঘৰখনৰ পৰিৱেশ পৰিস্থিতি আৰু সময়ে বাধ্য কৰাইছিল তাইক এনে হ’বলৈ। তেতিয়া হয়তো তাই মাথোঁ অষ্টম শ্ৰেণীৰ ছাত্ৰী আছিল। সিহঁতৰ ঘৰখনলৈ যেন কাল অনামিশা নামি আহিছিল । মৰিশালীৰ দৰে নিস্তব্ধ হৈ পৰিছিল সিহঁতৰ ঘৰখন। দেউতাকৰ যেন সিদিনা কান্দিবলৈও শক্তি নোহোৱা হৈছিল। সিহঁতৰ চুবুৰীয়া বৰদেউতাকজনে তাইক কৈছিল তাইৰ ককায়েক দিগ্বিজয়ে হেনো আলফাত যোগদান কৰিছে। তাইৰ সেই ফুলকুমলীয়া মনটোৱে সিদিনা বুজিব পৰা নাছিল আলফানো কি। দেউতাকৰ অসহনীয় মৌনতা পৰিভাষা তাই সিদিনা বুজা নাছিল । সৰুৰে পৰা মাকৰ অবিহনে অকলেই অতি কষ্টৰে ডাঙৰ কৰা সন্তানৰ এক অনিশ্চয়তাৰ পৃথিৱীলৈ গুচি যোৱাৰ বাতৰি পাই দেউতাকজনৰ মনত কেনে আঘাত দিব পাৰে তাই সিদিনা বুজি পোৱা নাছিল। লাহে লাহে বহ্নিশিখাই সকলোবোৰ বুজা হৈ আহিছিল । দেউতাকৰ দুখবোৰো তাই বুজি পোৱা হৈছিল । সেয়ে তাই যিমান পাৰে দেউতাকক সুখী কৰি ৰাখিবলৈ চেষ্টা কৰে। তাই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাত ৮৯% নম্বৰসহ চাৰিটা বিষয়ত লেটাৰ লৈ উত্তীৰ্ণ হ’বলৈ সক্ষম হৈছিল। বহু বছৰৰ মূৰত যেন বহ্নিশিখাৰ দেউতাকৰ হেৰোৱা যোৱা মুখৰ হাঁহিটো সিদিনা পুনৰ ঘূৰি আহিছিল । দুখৰ মাজতো

(বাৰপৃষ্ঠাত চাওক)

**যোৰাখণ্ডৰ পৰা..**

# ঈশ্বৰৰ সন্ধানত

কবিতা শৰ্মা,
নতুন দিল্লী

প্ৰতিটো কামৰ ৰেহৰূপ অনুসৰি যথাবিহিত পৰিণাম যে অনিবাৰ্য সেই কথা হৃদয়ংগম কৰিব নোৱাৰিলে ঈশ্বৰক বুজি পোৱাটোও সম্ভৱ নহয়।

ঈশ্বৰ বিশ্বাসৰ কথাটো প্ৰকৃততে দুই প্ৰকাৰে চাব পাৰি-

১) ঈশ্বৰৰ অস্তিত্বৰ ওপৰত থকা বিশ্বাস

২) ঈশ্বৰ বিশ্বাসক সমাজত এটা দস্তুৰ হিচাপে বৰ্তাই ৰখাটো ব্যক্তিগত আৰু সামাজিক শান্তি-শৃঙ্খলাৰ বাবে শুভদায়ক বুলি পোষিত বিশ্বাস ।

দুয়োটা প্ৰকাৰেৰেই মানুহৰ ব্যক্তিগত আৰু সামাজিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰি জীৱনৰ সাৰ্থকতা প্ৰদান কৰাত সহায় কৰে।

ঈশ্বৰ বিশ্বাস, ধৰ্ম আদিৰ কথা আহিলেই প্ৰায়েই উচ্চ শিক্ষাগত অৰ্হতা থকা বা উচ্চ ডিগ্ৰীধাৰী মানুহৰ বিশ্বাসক দৃঢ়তাৰে প্ৰতিষ্ঠা কৰা দেখা যায়। কিন্তু শিক্ষাগত অৰ্হতাৰ লগত মানুহ এজনৰ চিন্তাধাৰাৰ মানসিকতা সদায়েই সমানুপাতিক নহবও পাৰে। এজন উচ্চশিক্ষিত মানুহতকৈ এজন অশিক্ষিত বা তুলনামূলক ভাবে কম শিক্ষিত মানুহ এজনেও কেতিয়াবা ভাল চিন্তা, ভাল আদৰ্শ দেখুৱাব পাৰে। আনহাতে কিছু সংখ্যক লোকৰ ধাৰণা অনুযায়ী ঈশ্বৰ বা ধৰ্ম নমনা লোক মানেই উশৃঙ্খল, অহংকাৰী, নৈতিকতা বিহীন অমানৱো নহয়। নৈতিকতা, ধৰ্ম আৰু ঈশ্বৰ বিশ্বাসক সানমিহলি কৰিলে এনে প্ৰশ্নৰ অৱতাৰণা হোৱাটো স্বাভাৱিক কথা। ঈশ্বৰ বা ধৰ্মৰ ভয় দেখুৱাই নৈতিকতাৰ শিক্ষা দিয়াতো, অবৈজ্ঞানিক ধাৰণা। নৈতিকতা ঈশ্বৰ বিশ্বাস বা ঈশ্বৰ কেন্দ্ৰিক কোনো ধৰ্মচাৰণ নহয়। নৈতিকতাৰ অৰ্থ পুৱা-গধুলী ঈশ্বৰৰ গুণানুকীৰ্তন কৰাও নহয়। নৈতিকতা মন্দিৰ- মছজিদ-গীৰ্জা -গুৰুদ্বাৰা দৰ্শন কৰাও নহয়। নৈতিকতা কোনো বিশেষ ধৰ্মৰ আচাৰ- অনুষ্ঠানত আস্থা ৰখা গদগদ ভক্তিও নহয়। কাৰো অপকাৰ নকৰাকৈ নিজৰ লগতে সমাজৰ সুবিধা হোৱাকৈ কিছু সাধাৰণ নীতি নিয়ম, উচ্চ-নীচ, ধনী-দুখীয়া আৰু সকলো জাতি-ধৰ্মৰ মানুহক সমান মানৱীয় দৃষ্টিৰে চাব পৰাটোৱেই হৈছে নৈতিকতা। নিজৰ স্বাৰ্থৰ বাবে জীৱ-জন্তু, গছ-গছনি বা সমাজখনৰ কাৰো অপকাৰ নকৰো বুলি হৃদয়ত হোৱা উপলব্ধিৰ নামেই নৈতিকতা। এনে প্ঁ্যনতম নৈতিকতা আনকি পশু-পক্ষীৰ মাজতো বিদ্যমান। মানুহৰ প্ৰবৃত্তিৰ প্ৰভাৱ পৰা কাৰণে ইতিবাচক দিশত উৎকৰ্ষণৰ প্ৰচুৰ সম্ভাৱনা থকা স্বত্বেও যথোচিত উৎকৰ্ষণৰ ধাৰাটো ব্যহত হৈ কেতিয়াবা সমাজৰ বাবে হিতকৰ হৈ উঠা একোটা তত্ত্ব বা আদৰ্শও আন এটা সময়ত সমস্যা বহুল হৈ পৰে। পূৰ্বজ মনিষীসকলে “ ঈশ্বৰ ”



কেন্দ্ৰিক ধাৰণাটো মানুহৰ অকল্যাণ উদ্দেশ্যে উদ্ভৱ নকৰিলেও মানুহৰ ভিন্ -ভিন্ প্ৰবৃত্তিৰ প্ৰভাৱ পৰি ঈশ্বৰৰ নামত কল্যাণ -অকল্যাণ দুয়োটাই সম্ভৱ হৈ উঠে।

এতিয়া প্ৰশ্ন হ’ল সকলোৰে কল্যাণৰ বাবে ঈশ্বৰৰ সন্ধান আমি কেনেকৈ কৰিম? মানুহ আৰু প্ৰকৃতিক উপেক্ষা কৰি মন্দিৰ, গীৰ্জা, মছজিদ বা গুৰুদ্বাৰাত ঈশ্বৰ বিচাৰিলে ঈশ্বৰে জানো আমাক সহায় কৰিব? বুকুৰ মাজত নিষ্ঠুৰতাক আগস্থান দি কেতিয়াও ঈশ্বৰক আহ্বান কৰিব নোৱাৰি। কোনোটো ধৰ্মৰ কোনো ৰীতি - নীতিয়ে আমাক নিষ্ঠুৰ হবলৈ নিশিকায়। গীতা, বাইবেল, কোৰান বা গুৰুগ্ৰন্থ চাহিব, কোনো এখন ধৰ্মগ্ৰন্থই আমাক প্ৰেৰণা নিদিয়ে নিষ্ঠুৰ হবলৈ। সকলো ধৰ্মই প্ৰকৃতি, মানুহ আৰু মানৱতাক সবাতোকৈ ওপৰত ৰাখিছে। **আগলৈ...**

## জম্মু-কাশ্মীৰত ২০০ ফুট

কৰিছে সেনাৰ হোৱাইট নাইট ক'ৰে। বিবৃতিটোত কোৱা হৈছে যে এই জোৱানসকল এটা অভিযানত ওলাই গৈছিল। প্ৰতিকূল বতৰৰ মাজেৰে বিপদসংকুল পাহাৰীয়া পথেৰে গৈ থাকোঁতে নিয়ন্ত্ৰণ হেৰুৱাই ৰাস্তাৰ কাষৰ দ খাৰৈত পৰি যায় গাড়ীখন। হতাহতৰ সংখ্যা সম্পৰ্কে সেনাৰ তৰফৰ পৰা নিৰ্দিষ্টকৈ একো জনোৱা নাই। আনহাতে জম্মু-কাশ্মীৰৰ ৰাজ্যপাল মনোজ সিনহাই এই মৰ্মান্তিক দুৰ্ঘটনাৰ বাবে গভীৰ শোক প্ৰকাশ কৰে। এক বিবৃতিত লেফটেনেণ্ট গৱৰ্ণৰ সিনহাই লিখিছে, ডোডাত সংঘটিত হোৱা দুৰ্ভাগ্যজনক পথ দুৰ্ঘটনাত আমাৰ ভাৰতীয় সেনাবাহিনীৰ ১০ গৰাকী সাহসী জোৱানে প্ৰাণ হেৰুওৱাত মই গভীৰ শোক প্ৰকাশ কৰিছো । আমাৰ সাহসী সৈনিকসকলৰ অসাধাৰণ সেৱা আৰু পৰম ত্যাগৰ কথা আমি সদায়ে মনত ৰাখিম । শোকসন্তপ্ত পৰিয়ালসমূহলৈ মোৰ গভীৰ সমবেদনা জ্ঞাপন কৰিছো । সিনহাই লগতে কয়, গভীৰ শোকৰ এই সময়ত সমগ্ৰ জাতিটোৱে শোকসন্তপ্ত পৰিয়ালসমূহৰ সৈতে থিয় দিছে । আহত দহগৰাকী জোৱানক বিমানেৰে চিকিৎসালয়লৈ নিয়া হৈছে । মই শীৰ্ষ বিষয়াসকলক সম্ভৱপৰ সকলো চিকিৎসা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছো। তেওঁলোকৰ আশু আৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰিছো।

## ১ লাখ কোটি টকা বিনিয়োগৰ

এই অভ্যৰ্থনা সভাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ দ্ৰুত বিকাশ, বিধিবদ্ধ পূৰ্ব অনুমানযোগ্যতাৰ বাবে উপযোগী নীতি আৰু ৰাজ্যৰ বিশাল প্ৰতিভাশালী কৰ্মশক্তি সন্দৰ্ভত এক বিস্তৃত বিৱৰণ বিনিয়োগকাৰীসকলৰ সন্মুখত দাঙি ধৰে। উল্লেখ্য যে ডব্লিউইএফত ১৭খনতকৈ অধিক বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই অংশ লয় আৰু বহুকেইখন বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই সময়ছোৱাত তেওঁ 'পৰৱৰ্তী ঔদ্যোগিক যুগৰ বাবে ভৱিষ্যৎ-প্ৰস্তুত কৰ্মশক্তিৰ সুৰক্ষা','ভ্ৰমণ আৰু পৰ্যটনঃ দৃষ্টিৰ নেপথ্যত ১০ ট্ৰিলিয়ন ডলাৰৰ ক্ষেত্ৰ' আদিকে ধৰি বহুকেইখন আলোচনাত অংশগ্ৰহণ কৰে। ডাভোছত তৃতীয় নিশা মুখ্যমন্ত্ৰী ড° শৰ্মাই বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ উদ্দেশ্যে এক বিস্তৃত তথা তথ্যসমৃদ্ধ বক্তব্য দাঙি ধৰিবলৈ সক্ষম হয়। তেওঁ ভ্ৰমণ আৰু পৰ্যটন: দৃষ্টিৰ নেপথ্যত ১০ ট্ৰিলিয়ন ডলাৰৰ ক্ষেত্ৰ' শীৰ্ষক অধিৱেশনত অংশগ্ৰহণ কৰি উল্লেখ কৰে যে পৰ্যটনক কেৱল এক অৱসৰৰ ক্ষেত্ৰৰ দৃষ্টিৰ সলনি নিয়োগ, আঞ্চলিক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ মূল অৰ্থনীতিক আন্তঃগাঁথনি হিচাপে স্বীকৃতি দিব পাৰি। এই আলোচনা-চক্ৰতে মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ পৰ্যটন ক্ষেত্ৰখনে ঐতিহ্য, বন্যপ্ৰাণী আৰু প্ৰকৃতিৰ কোনোধৰণৰ ক্ষতি নোহোৱা জীৱিকা, ব্ৰহ্মপুত্ৰৰ পৰা চাহ বাগিচা আৰু ৰাষ্ট্ৰীয় উদ্যানলৈ পৰ্যটকৰ আগমনে স্থানীয় লোকসকলক উপকৃত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণতো গুৰুত্ব প্ৰদান কৰিব বুলি উল্লেখ কৰে। এই অধিৱেশনত ছৌদি আৰব, ফ্ৰান্স, ইণ্ডোনেছিয়া, টিউনিচিয়াৰ প্ৰতিনিধিৰ লগতে ইউৰোপীয় আয়োগৰ বহনক্ষম পৰিবহণ আৰু পৰ্যটন বিষয়ক আয়ুক্ত উপস্থিত আছিল। ইফালে বুধবাৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয়- আমি ডাভোছৰ এই সন্মিলনত বিশ্বৰ বিভিন্ন ক্ষেত্ৰৰ পৰা ১ লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ লাভ কৰিবলৈ সক্ষম হৈছোঁ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰৱচ্ছিন্ন প্ৰচেষ্টাৰ বাবে অসম আজি ভাৰতৰ আটাইতকৈ দ্ৰুতগতিত বিকশিত ৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু আগলৈ সেই ধাৰা অব্যাহত ৰাখিব। অসমে আজি হাইড্ৰ'কাৰ্বন আৰু চাহ আদিৰ চিৰপৰিচিত পৰিধি চেৰাই অন্যান্য খণ্ডসমূহতো প্ৰতিনিধিত্ব কৰাৰ বাট প্ৰশস্ত কৰিছে। অসমৰ সেই উৎকৃষ্টতা আৰু সম্ভাৱনীয়তালৈ লক্ষ্য ৰাখিয়েই ৰাজ্যখনলৈ ছেমিকণ্ডাক্টৰ উদ্যোগৰ উপৰি লাখ লাখ কোটি টকা লৈ বিভিন্ন বিনিয়োগকাৰী আহিছে। ইফালে বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ৰাজ্যত বিৰোধী ৰাজনৈতিক দলসমূহে ভোট বিচাৰি ঘূৰি ফুৰাৰ বিপৰীতে ডাভোছত বিনিয়োগকাৰী বিচাৰি ঘূৰি ফুৰা মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰসংগত কয়-ডব্লিউইএফত অংশগ্ৰহণ কৰাৰ একমাত্ৰ উদ্দেশ্য- অসমৰ বাবে সম্ভাৱনাৰ নতুন পথ প্ৰশস্ত কৰা। এই সন্মিলনে অসমলৈ বহু ইতিবাচক খবৰ কঢ়িয়াব। আনহাতে ছেমিকণ্ডাক্টৰৰ প্ৰসংগত মুখ্যমন্ত্ৰগৰাকীয়ে কয় যে অসমৰ বাবে ছেমিকণ্ডাক্টৰ উদ্যোগটো কেৱল চিপছ নিৰ্মাণতেই সীমাবদ্ধ নহয়, সমগ্ৰ অৰ্থ ব্যৱস্থা গঢ়ি তোলাৰো এক বিষয়। এইক্ষেত্ৰত ডাভোছত আন্তঃৰাষ্ট্ৰীয় কোম্পানীসমূহৰ পৰা অসমে যথেষ্ট ইতিবাচক সঁহাৰি লাভ কৰিছে। উল্লেখ্য যে ১৯ জানুৱাৰীত ডাভোছত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° শৰ্মাই যোৱা চাৰিটা দিনত বিশ্বৰ উদ্যোগপতি, অৰ্থনীতিবিদ, বহুজাতিক কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া, বিশ্ববেংক, আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি, বিশ্ব বাণিজ্য সংস্থাৰ মুৰব্বীকে ধৰি বিভিন্ন দেশৰ প্ৰতিনিধিৰ সন্মুখত ডব্লিউইচিত অসমক তুলি ধৰিবলৈ সক্ষম হৈছে। এই সময়ছোৱাত মুখ্যমন্ত্ৰীয়ে ১৬খন দেশৰ এশৰো অধিক বহুজাতিক কোম্পানীৰ ২০০ গৰাকী উদ্যোগপতি আৰু কূটনৈতিক নেতাৰ সৈতে সাক্ষাতত মিলিত হয়।

## জামিন আবেদন প্ৰত্যাহাৰ

লগতে তীব্ৰ যুক্তি-তৰ্কও হয়। অমৃতপ্ৰভা মহন্তৰ অধিবক্তাই আদালতত দীঘলীয়া যুক্তি দাঙি ধৰি গোচৰটো বেলেগকৈ চোৱাৰ বাবে অনুৰোধ জনায়। ইপিনে শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গ আৰু ভগ্নী ড° পামী বৰঠাকুৰ শুনানিত উপস্থিত থাকে। আদালতত চলি থকা গোচৰক লৈ সন্তোষ প্ৰকাশ কৰি শিল্পীপত্নী গৰিমা শইকীয়া গাৰ্গে কয় যে চৰকাৰী পক্ষই আমাৰ হৈ যুক্তিবোৰ সবলভাৱে দাঙি ধৰিছে। এয়া দেখি যথেষ্ট ভাল লাগিছে। ইয়াৰ পাছতে সামাজিক মাধ্যমযোগে গৰিমা শইকীয়া গাৰ্গে বিচাৰ প্ৰক্ৰিয়া শেষ নোহোৱালৈকে আৰু হত্যাকাৰীৰ শাস্তি নোহোৱালৈকে কোনো এটা অভিযুক্তই যাতে আদালতৰ পৰা জামিন লাভ নকৰে, তাৰ বাবে সম্ভৱপৰ সকলো প্ৰচেষ্টা ল'বলৈ আদালতক আহ্বান জনাইছে। তদুপৰি সমগ্ৰ ন্যায় প্ৰক্ৰিয়াটো খৰতকীয়া কৰিবলৈ বিশেষ আদালতখনৰ অতিমাত্ৰাই প্ৰয়োজন আছে বুলিও গৰিমা শইকীয়া গাৰ্গে পোষ্টটোত সদৰী কৰে। একেদৰে শিল্পীগৰাকীৰ ভগ্নী ড° পামী বৰঠাকুৰেও চৰকাৰী লোক অধিবক্তাৰ দলে আদালতত দৰ্শোৱা যুক্তিখিনিক লৈ সন্তোষ প্ৰকাশ কৰি কয় যে আদালতৰ দৃশ্য দেখি যথেষ্ট ভাল লাগিছে। আমাৰ হৈ অধিবক্তাৰ দলটোৱে বহুখিনি কষ্ট কৰিছে। আনহাতে জুবিন গাৰ্গ হত্যা গোচৰৰ শুনানিৰ লাইভ ষ্ট্ৰীমিং বিচাৰিলে অধিবক্তা সমাজে। উচ্চ ন্যায়ালয়ৰ কাষ চাপিব উকীল সন্থা। সদৌ গুৱাহাটী উকীল সন্থাৰ সম্পাদকগৰাকীয়ে জুবিন হত্যা গোচৰৰ আটাইবোৰ শুনানিৰ লাইভ ষ্ট্ৰীমিং দাবী জনালে সংবাদ মাধ্যমৰ আগত । তেওঁ কয়, আমি জুবিনদাৰ গোচৰৰ লাইভ ষ্ট্ৰীমিং দাবী কৰিছোঁ। কিয়নো আদালতত কি হৈ আছে সকলো জলজল পটপট হ'ব লাগে। আচলতে ক'ত কি হৈ আছে? কোনে কি লাইনত কথা কৈ আছে । যিহেতু এইটো ব্যক্তিগত কথা নহয়। অসমৰ সকলোৰে কথাবোৰ জনাৰ অধিকাৰ আছে। গতিকে আমাৰো দায়িত্ব আছে । সদৌ গুৱাহাটী উকীল সন্থাই লাইভ ষ্ট্ৰীমিং কৰিবৰ বাবে আমি উচ্চন্যায়ালয়ত এপ্ৰ'চ কৰিম।

## ৰাইজে বিচাৰিলে ১০৬ টা

থাকিব। এটা-দুটা হয়তো বাঢ়িব পাৰে বা কমিব পাৰে। অগপ আৰু বিজেপিৰ আসন বুজাবুজি মোটামুটি হৈ গৈছে। ৰাজ্যিক সভাপতি দিলীপ শইকীয়া আৰু মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই অগপৰ লগত কথা পাতি আছে। মোটামুটি আসন বুজাবুজি সম্পূৰ্ণ হৈ গৈছে। এইক্ষেত্ৰত যিদিনাখনে গৃহমন্ত্ৰী অমিত শ্বাহে আসনৰ বুজাবুজি চূড়ান্ত কৰাৰ বাবে বহিব, সেইদিনাই সকলো চূড়ান্ত হ'ব। প্ৰাথমিক বুজাবুজিতো বিজেপিয়ে অগপৰ লগত সম্পূৰ্ণ কৰিছে। আনহাতে বিধানসভা নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত বিৰোধীক নস্যাৎ কৰি ৰাজ্যখনৰ ১০৬টা সমষ্টিত এন ডি এৰ প্ৰাৰ্থীৰ জয়ৰ সম্ভাৱনা আছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা। সংবাদ মাধ্যমৰ আগত নিৰ্বাচনৰ প্ৰস্তুতিৰ প্ৰসংগ সন্দৰ্ভত মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- ১০৬টা সমষ্টিত বিজেপিয়ে জয়ৰ পূৰ্ণ নিশ্চয়তা আছে। কিন্তু ৰাইজে আমাক জিকাব লাগিব। যদি মানুহে জিকাম বুলি ভাবে, ১০৬টা সমষ্টিতহে জিকাব পাৰে, তাৰ ওপৰত নোৱাৰে। বিজেপিৰ লগতে অগপ, বড়ো, কাৰ্বি, ডিমাচা সকলোৱে মিলি ১০৬টা সমষ্টিত আমাৰ জিকাৰ সামৰ্থ্য আছে।

## টি-২০ বিশ্বকাপ

কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিব। বাংলাদেশে আইচিচিক পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ জনাইছে। বৈঠকৰ অন্তত আছিফ নজৰুলে কয় যে আমি বাংলাদেশৰ জাতীয় দলৰ ক্ৰিকেটাৰ আৰু ব'ৰ্ডৰ বিষয়াসকলক সাক্ষাৎ কৰিছোঁ। আমি সকলোৱে বিচাৰিছিলোঁ যে আমি টি-২০ বিশ্বকাপ খেলিব পাৰোঁ। কাৰণ আমি এই সুযোগটো অতি কষ্টৰে অৰ্জন কৰিছোঁ। ভাৰতত খেলিবলৈ গ'লে আমি নিৰাপত্তাজনিত বিপদৰ সন্মুখীন হ'ম। আমাৰ ক্ৰিকেটাৰসকলক ভাৰতৰ পৰা বহিষ্কাৰ কৰা হ'ব। গতিকে আমি টি-২০ বিশ্বকাপত ভাগ ল'বলৈ ভাৰত ভ্ৰমণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰোঁ। ইফালে, চৰকাৰৰ সৈতে হোৱা বৈঠকৰ অন্তত বিচিবিৰ অধ্যক্ষগৰাকীয়ে কয় যে বাংলাদেশ ক্ৰিকেট দলে ভাৰতত এখন মেচো খেলিব নোৱাৰে। এই সময়ছোৱাত তেওঁ আইচিচিক ব্যৰ্থ বুলি অভিহিত কৰে। আইচিচিয়ে আমাৰ মেচসমূহ ভাৰতৰ পৰা স্থানান্তৰ নকৰিলে। বিশ্ব ক্ৰিকেটৰ বিষয়ে আমি জানো। ইয়াৰ জনপ্ৰিয়তা দিনকদিনে কমি আহিছে। আইচিচিয়ে ২০ কোটি লোকক হতাশ কৰিছে। ক্ৰিকেট এতিয়া অলিম্পিক পাইছেগৈ। যদি আমাৰ দৰে দেশে তালৈ নাযায়, তেন্তে এয়া হ'ব আইচিচিৰ ব্যৰ্থতা। বিচিবিৰ অধ্যক্ষগৰাকীয়ে তেওঁলোকৰ যুঁজ অব্যাহত থাকিব বুলি কয়। ইয়াৰ উপৰি আইচিচিক বৈঠকত লোৱা সিদ্ধান্তৰ ওপৰতো তেওঁ প্ৰশ্ন উত্থাপন কৰে। আইচিচিয়ে ভুল সিদ্ধান্ত লৈছে আৰু কেৱল বিচিচিআইৰ কথাকে মানি লোৱা হৈছে। উল্লেখ্য যে বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থা আইচিচিয়ে বাংলাদেশক টি-২০ বিশ্বকাপত অংশগ্ৰহণৰ সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'বলৈ বুধবাৰে ২৪ ঘণ্টাৰ সময়সীমা নিৰ্ধাৰণ কৰি দিছিল।

## ১৪ ফেব্ৰুৱাৰীত পুনৰ

নিৰ্মাণ হ'বলগা গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ হাইৱে'ৰ আধাৰশিলা স্থাপন কৰিব। এই ভ্ৰমণকালতে প্ৰধানমন্ত্ৰীয়ে ডিব্ৰুগড়ৰ মৰাণত ভাৰতীয় বায়ুসেনাই ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নতুনকৈ নিৰ্মাণ কৰা জৰুৰীকালীন অৱতৰণ ষ্ট্ৰিপৰ ব্যৱহাৰৰ শুভ উদ্বোধন কৰিব। অৰ্থাৎ প্ৰধানমন্ত্ৰীগৰাকীয়ে এই কাৰ্যসূচীৰ জৰিয়তে নিজেই সেনাবাহিনীৰ ছুখয় বা ৰাফেলৰ দৰে যুঁজাৰু বিমানত বহি ৰাষ্ট্ৰীয় ঘাইপথত অৱতৰণ কৰাৰ সম্ভাৱনা আছে। ইফালে মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে উল্লেখ কৰে যে অহা ১২ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ দুহাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হ'ব। আনহাতে অহা ৭ ফেব্ৰুৱাৰীত মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱকক প্ৰথম কিস্তিৰ এক লাখ টকা প্ৰদান কৰিব মুখ্যমন্ত্ৰীয়ে। ইয়াৰ বাবে ৭ ফেব্ৰুৱাৰীৰ পৰা ১২ ফেব্ৰুৱাৰীলৈ কেইবাখনো জিলাত অনুষ্ঠিত হ'ব পুঁজি বিতৰণ সভা। ইফালে ৩০ জানুৱাৰীত অসমলৈ আহিব লগা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ডিব্ৰুগড়ত অসম বিধানসভাৰ দ্বিতীয়টো চৌহদৰ আধাৰশিলা স্থাপন কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ফেচবুক লাইভযোগে জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীয়ে অহা ২৬ জানুৱাৰীৰ গণৰাজ্য দিৱসৰ পতাকা ডিব্ৰুগড়ত উত্তোলন কৰিব বুলিও ঘোষণা কৰিছে। ডোভাছৰ পৰা উভতি ২৪ জানুৱাৰীত কামৰূপ জিলাৰ বৰক্ষেত্ৰীত উদ্যমিতা আঁচনিৰ পুঁজি বিতৰণ সভাত অংশগ্ৰহণৰ পাছতে ২৫ জানুৱাৰীত ডুমডুমাত মুখ্যমন্ত্ৰীয়ে এটি কলি দুটি পাত আঁচনিৰ শুভাৰম্ভ কৰিব। এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ প্ৰতিগৰাকী চাহ শ্ৰমিকক প্ৰদান কৰা হ'ব ৫ হাজাৰ টকাকৈ।

## প্ৰধানমন্ত্ৰীলৈ স্মাৰক-পত্ৰ

স্মাৰক-পত্ৰখন সংলগ্ন কৰি সামাজিক মাধ্যমত গৰিমা শইকীয়া গাৰ্গে এই সন্দৰ্ভত এক পোষ্ট দিয়ে। পোষ্টটোত গৰিমা গাৰ্গে লিখিছে-ভাৰতবৰ্ষৰ গৌৰৱান্বিত ৭৭ সংখ্যক গণৰাজ্য দিৱস পালনৰ প্ৰাক্ক্ষণত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ প্ৰণাম জনোৱাৰ লগতে আমাৰ পৰিয়ালৰ তৰফৰ পৰা অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ ন্যায় প্ৰক্ৰিয়া সন্দৰ্ভত এক স্মাৰক-পত্ৰ প্ৰেৰণ... প্ৰতিটো দিন-ৰাতি এতিয়া মাথোঁ এটাই আমাৰ লক্ষ্য... জুবিন গাৰ্গে সম্পূৰ্ণ সত্য, শুদ্ধ আৰু উচিত ন্যায় পাবই লাগিব। দোষীয়ে কঠোৰতম শাস্তি পাবই লাগিব। স্মাৰক-পত্ৰখনত প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতি কেইটামান বিশেষ অনুৰোধ জনাইছে গৰিমা শইকীয়া গাৰ্গে। ইয়াৰে আটাইতকৈ গুৰুত্বপূৰ্ণ দাবীটো হ'ল জুবিনৰ হত্যাৰ বিচাৰ প্ৰক্ৰিয়া খৰটকীয়া কৰিবৰ বাবে এখন বিশেষ আদালত গঠন কৰা। লগতে অসম চৰকাৰে গঠন কৰি দিয়া চৰকাৰী অধিবক্তাৰ দলটোত প্ৰয়োজন সাপেক্ষে অধিক শক্তিশালী চৰকাৰী অধিবক্তা নিযুক্তি দিবলৈও গৰিমা গাৰ্গে প্ৰধানমন্ত্ৰীক অনুৰোধ জনাইছে। আনহাতে, জুবিনৰ ন্যায় লাভৰ প্ৰক্ৰিয়াটো যাতে সময়ৰ লগে লগে স্তিমিত হৈ নপৰে, তাৰবাবে ফাষ্ট ট্ৰেক আদালতত এই বিচাৰ প্ৰক্ৰিয়া চলোৱাৰ ব্যৱস্থা কৰিবলৈও তেওঁ প্ৰধানমন্ত্ৰীক অনুৰোধ জনাইছে। গৰিমাৰ উপৰি জুবিনৰ ভগ্নী পামী বৰঠাকুৰ আৰু খুড়াক মনোজ কুমাৰ বৰঠাকুৰে স্বাক্ষৰ কৰা এই স্মাৰক-পত্ৰখনৰ যোগে জুবিনৰ ন্যায় প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱা পৰ্যন্ত কোনো এটা অপৰাধীয়ে যাতে জামিনত মুকলি হৈ আহিব নোৱাৰে সেয়া নিশ্চিত কৰিবৰ বাবেও তেওঁলোকে প্ৰধানমন্ত্ৰী মোদীক অনুৰোধ জনাইছে। আনহাতে, ছিংগাপুৰৰ আদালতত চলি থকা জুবিন হত্যাৰ গোচৰটো যাতে শীৰ্ষ পৰ্যায়ত পৰ্যবেক্ষণ কৰিব পৰা হয়, ভাৰত-ছিংগাপুৰ দুয়োখন দেশৰ মাজত যাতে গোচৰটো চলাই যোৱাত সহযোগিতা অটুট থাকে আৰু বিদেশী ৰাষ্ট্ৰ হোৱাৰ বাবেই যাতে জুবিনৰ মৃত্যুৰ প্ৰকৃত সত্য লুকাই নাথাকে, তাৰবাবে ভাৰত চৰকাৰে ছিংগাপুৰৰ লগত কূটনৈতিক আৰু আইনী হেঁচা দিবৰ বাবে তেওঁলোকে প্ৰধানমন্ত্ৰী মোদীক দাবী জনাইছে। এইক্ষেত্ৰত তেওঁ কেইটামান বিশেষ কথা স্মাৰক-পত্ৰখনত উল্লেখ কৰিছে। সেয়া হ'ল- ক'ৰনাৰ্ছত চলি থকা বিচাৰ প্ৰক্ৰিয়া সৰ্বোচ্চ পৰ্যায়ত নিৰীক্ষণ, সকলো প্ৰাসংগিক সামগ্ৰী-সাক্ষ্য-তথ্য ভাৰতীয় কৰ্তৃপক্ষৰ বাবে উপলব্ধ কৰাটো নিশ্চিত কৰাত পাৰস্পৰিক আইনী সহায়ৰ বাবে সকলো দা আইনগত পথ উপলব্ধ কৰিব পৰা যায়। বিষয়টোত যাতে ইয়াৰ প্ৰাপ্য গুৰুত্ব জৰুৰী-নৈতিক মূল্যৰে অনুসৰণ কৰা হয়, তাৰ দাম বাবে প্ৰধানমন্ত্ৰী মোদীৰ ওপৰত আস্থা ৰখা বুলি স্মাৰক-পত্ৰখনৰ শেষাংশত উল্লেখ কৰিছে গৰিমা গাৰ্গে।

## সৰস্বতী পূজাৰ দিনাই

প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা মতে দুয়োখন বাহনৰ মুখামুখি সংঘৰ্ষত যুৱক-যুৱতীয়ে উফৰি পৰে। মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা যুৱতীগৰাকীৰ ঘটনাস্থলীতে মৃত্যু হয়। আৰক্ষীৰ পৰা জানিব পৰা মতে জে বি আইন মহাবিদ্যালয়ৰ শিক্ষাৰ্থী লুনা ভৰদ্বাজে দুদিন পাছতেই এক্সিছ বেংকৰ চাকৰিত যোগদানৰ কথা আছিল। আনহাতে ঘটনাটোত আঘাতপ্ৰাপ্ত যুৱকজনৰ ঘৰ গোলাঘাটৰ দেৰগাঁৱত যদিও জটিয়াত ভাৰাতীয়া হিচাপে আছিল। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত যুৱকজনক লগে লগেই আৰক্ষীয়ে উন্নত চিকিৎসাৰ বাবে জিএমচিএইচলৈ প্ৰেৰণ কৰে। জানিব পৰা মতে যুৱকজনৰ অৱস্থা যথেষ্ট সংকটজনক হৈ আছে। যুৱতীগৰাকীৰ অকাল মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। ইপনে ভয়ানক দুৰ্ঘটনাটো সংঘটিত কৰিয়েই এম্বুলেঞ্চখনৰ চালকজনে পলায়ন কৰে।

## ডাভোছত পেপছিকোৰ

গুৰুত্বপূৰ্ণ আছিল বুলি উল্লেখ কৰি তেওঁ লগতে কয়, 'নতুন অভিজ্ঞতা আৰু অসমৰ বাবে বহু নতুন সুযোগ মুকলি কৰি ভাৰতলৈ উভতিবলৈ ওলাইছোঁ। আপোন অসমভূমিত উপস্থিত হোৱাৰ লগে লগে ইয়াৰ অভিজ্ঞতা আপোনালোকক অৱগত কৰিম।' বৃহস্পতিবাৰে সন্ধিয়া ডাভোছত মুখ্যমন্ত্ৰী ড° শৰ্মাই পেপছিকোৰ মুখ্য কাৰ্যবাহী বিষয়া, উপাধ্যক্ষ ইউজিন উইলেমচেন আৰু কেৰ'লিন বাৰ্ছনৰ সৈতে এক ফলপ্ৰসূ আলোচনাত মিলিত হয়। এই বৈঠকতে আলু খেতিয়কক ঋণ প্ৰদানৰ বাবে পেপছিকো আৰু ষ্টেট বেংকৰে অসম চৰকাৰে এক চুক্তি সম্পাদিত কৰিব। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা তথ্য অনুসৰি এই বৈঠকত ভাৰতীয় ষ্টেট বেংক, পেপছিকো আৰু অসম চৰকাৰৰ মাজত এক বিশেষ ত্ৰিপাক্ষিক চুক্তিৰ জৰিয়তে ৰাজ্যখনৰ আলু খেতিয়কসকলক উপকৃত কৰিবলৈ প্ৰাতিষ্ঠানিক ঋণ নিশ্চিত কৰাৰ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰে। বৈঠকত অসমৰ কোম্পানীটোৰ সম্প্ৰসাৰণৰ পৰিকল্পনা তথা পেপছিকোৰ নলবাৰীস্থিত প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ লগতে কোম্পানীটোৱে ৰাজ্যৰ কৃষকসকলৰ সৈতে কেনেকৈ অধিক ঘনিষ্ঠভাৱে কাম কৰিব পাৰে, সেই বিষয়ে আলোচনা হয়।

## প্ৰশ্নকাকত-উত্তৰবহী ৰখা স্থানত

কেন্দ্ৰ তত্ত্বাবধায়ক আৰু সহকাৰী তত্ত্বাবধায়কসকলৰ অ'ৰিয়েণ্টেচন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। পৰীক্ষা কেন্দ্ৰৰ তত্ত্বাৱধায়ক আৰু সহকাৰী তত্ত্বাৱধায়কসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে কেন্দ্ৰৰ তত্ত্বাৱধায়কসকল পৰীক্ষাৰ ক্ষেত্ৰত সচেতন হ'ব লাগিব। এইক্ষেত্ৰত যাতে কোনোধৰণৰ খেলিমেলি নহয়, সেই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি তত্ত্বাবধায়কসকলে নিজৰ চাকৰি নিজেই ৰক্ষা কৰিব লাগিব। প্ৰশ্নকাকত, উত্তৰবহী ৰখা স্থানত ২৪ ঘণ্টাই চিচি টিভি, কেমেৰা থাকিব লাগিব বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰীয়ে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত শিক্ষকে যাতে ম'বাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰে, তাৰ প্ৰতিও কঠোৰ নিৰ্দেশনা প্ৰস্তুত কৰিবলৈ স্পষ্ট কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এইবাৰ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে পৰিচালনা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ লিখিত পৰীক্ষাসমূহ ১০ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব। সেইদৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ব্যৱহাৰিক পৰীক্ষাসমূহ ২৭ জানুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'ব আৰু লিখিত পৰীক্ষাসমূহ ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত হ'ব। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭, ৩৫৫খন বিদ্যালয়ৰ ৪, ৩৮, ৫৬৫ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। ইয়াৰে ১, ৯০, ২৪গৰাকী ছাত্ৰ আৰু ২, ৪৮, ৩২২গৰাকী ছাত্ৰী। ঠিক সেইদৰে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত্ৰ, ১০৩খন বিদ্যালয়-মহাবিদ্যালয়ৰ ৩, ৩০, ৭৪৪ গৰাকী শিক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাসমূহ যাতে সুকলমে অনুষ্ঠিত হয় তাৰ বাবে বিদ্যালয় শিক্ষা বিভাগৰ নীতি-নিয়ম মানি চলি যাবতীয় ব্যৱস্থা গ্ৰহণৰ বাবে পৰীক্ষা কেন্দ্ৰসমূহত তত্ত্বাবধায়ক আৰু সহঃতত্ত্বাবধায়কৰ লগতে শিক্ষানুষ্ঠানসমূহৰ অধ্যক্ষ তথা প্ৰধান শিক্ষক আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক আহ্বান জনায়। লগতে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এইবাৰ হ'বলগীয়া মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ সকলো কেন্দ্ৰ চৰকাৰী বিদ্যালয়ত স্থাপন কৰা হ'ব। কোনো বেচৰকাৰী বিদ্যালয়ত এইবাৰৰ পৰীক্ষা কেন্দ্ৰ নহ'ব। পৰীক্ষাৰ খেলিমেলি হ'লে বা প্ৰশ্নকাকত আদি ফাদিল হ'লে সেয়া বেচৰকাৰী বিদ্যালয়ত হোৱাৰ সময়ত ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত দেখা দিয়া কাৰিকৰী সমস্যাৰ বাবে যোৱা বছৰেই বেচৰকাৰী বিদ্যালয়ত পৰীক্ষা কেন্দ্ৰ স্থাপন নকৰাৰ সিদ্ধান্ত লোৱা বুলিও তেওঁ কয়। এই অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ আয়ুক্ত সচিব নাৰায়ণ কোঁৱৰ, ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰ চি জৈন, উপাধ্যক্ষ ক' গোহাঁইবৰুৱা, সচিব প্ৰায়ণকে ধৰি শীৰ্ষ বিয়াসকলাল উপস্থিত থাকে।

## কোচিত আভ্যন্তৰীণ জলপথ

টকাৰ ক্ৰুজ টাৰ্মিনেল আৰু ডিব্ৰুগড়ৰ বগীবিল নদী বন্দৰৰ সৈতে ১৪৪ কোটি টকাৰ এপ্ৰ'চ ৰোড সংযোগ প্ৰকল্প নিৰ্মাণৰ কথা অন্তৰ্ভুক্ত আছে। বৈঠকত সম্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অন্তৰ্দেশীয় জলপথসমূহ ভাৰতৰ পৰিবহণ আৰু লজিষ্টিকছ ৰূপান্তৰৰ কৌশলগত স্তম্ভ হিচাপে উদ্ভাসিত হৈছে। তেওঁ কয়, আমাৰ গতিশীল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্তৰ্দেশীয় জলপথসমূহক বিশেষ গুৰুত্ব দিছে, যিয়ে ৰাস্তাত মালবাহী বাহনৰ ভিৰ হ্ৰাস কৰিছে, লজিষ্টিকৰ খৰচ হ্ৰাস কৰিছে আৰু ব্যৱসায়ৰ সহজতা শক্তিশালী কৰিছে। এই দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত হৈ নদীসমূহক কেৱল প্ৰাকৃতিক সম্পদ হিচাপে নহয়, অৰ্থনৈতিক বৃদ্ধি, দীৰ্ঘম্যাদী প্ৰভাৱ আৰু সংযোগচালিত আৰ্থ-সামাজিক জীৱনৰেখা হিচাপে ত্বৰান্বিত কৰা হৈছে। পৰিষদে ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ দ্বাৰা গুৱাহাটী, বাৰাণসী, পাটনা, তেজপুৰ, ডিব্ৰুগড় আদি ১৮খন চহৰত নগৰীয় জল পৰিবহণৰ সম্ভাব্যতা অধ্যয়নৰ বিষয়েও আলোকপাত কৰে। কেৰালাত কেইবাটাও ঘোষণাৰ জৰিয়তে অন্তৰ্দেশীয় জল পৰিবহণ আৰু ল'জিষ্টিক ব্যৱস্থাক শক্তিশালী কৰাত গুৰুত্ব দিয়া হৈছে। জলবাহক মালবাহী প্ৰচাৰ আঁচনি অন্য ৰাষ্ট্ৰীয় জলপথসমূহলৈও সম্প্ৰসাৰণত গুৰুত্ব দিয়া হৈছে, যাৰ অধীনত অন্তৰ্দেশীয় জলপথৰ জৰিয়তে মালবাহী পৰিবহণত হোৱা মুঠ কাৰ্যকৰী ব্যয়ৰ ৩৫শতাংশ পৰ্যন্ত ভাট্টা চৰকাৰে প্ৰদান কৰিব। এই আঁচনিয়ে ব্যক্তিগত খণ্ডৰ অংশগ্ৰহণকাৰীক উৎসাহিত কৰিব। বৈঠকত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে কয়-প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত ভাৰতৰ অন্তৰ্দেশীয় জলপথসমূহক সেউজ বৃদ্ধি, ডিজিটেল ৰূপান্তৰ আৰু পৰ্যটন-নিৰ্ভৰ বিকাশৰ শক্তিশালী গুণক হিচাপে উদ্ভাসিত কৰা হৈছে। মালবাহী পৰিবহণ, যাত্ৰী সেৱা আৰু ক্ৰুজ পৰ্যটনৰ দ্ৰুত সম্প্ৰসাৰণৰ সৈতে আমাৰ নদীসমূহ দীৰ্ঘম্যাদী গতিশীলতা আৰু অৰ্থনৈতিক সুযোগৰ নতুন ইঁনি হৈ পৰিছে। কোচিৰ ৱাটাৰ মেট্ৰ'ৰ সফলতাই দেখুৱাইছে যে নদীসমূহে নগৰীয় গতিশীলতাক কেনেকৈ ৰূপান্তৰিত কৰিব পাৰে। আৰু আমি গুৱাহাটী, বাৰাণসী, পাটনা, তেজপুৰ আৰু ডিব্ৰুগড়কে ধৰি বিভিন্ন চহৰত এই আৰ্হিৰ পুনৰাবৃত্তি কৰিবলৈ সাজু হৈছোঁ, যাতে ভাৰতৰ জলপথসমূহে বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰতৰ দিশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তেওঁ কয় যে অসম তথা উত্তৰ-পূব অঞ্চলৰ জল পৰিবহণ খণ্ডৰ উন্নয়নত বিশেষ গুৰুত্ব দিয়া হৈছে, য'ত জলপথ প্ৰকল্পই সংযোগ, বাণিজ্য, পৰ্যটন আৰু নদীকেন্দ্ৰিক সম্প্ৰদায়ৰ জীৱিকা যথেষ্ট বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত ৫০০ কোটি টকাৰো অধিক বিনিয়োগৰে ৮৫টা জেটি বিকাশৰ বাবে অগ্ৰসৰ হৈছে, যিয়ে আঞ্চলিক ল'জিষ্টিকছ সংযোজনক শক্তিশালী কৰিব। উত্তৰ-পূব ভাৰতৰ অন্তৰ্দেশীয় জলপথৰ বিকাশৰ দৃষ্টিভংগীক কেন্দ্ৰীয় চৰকাৰে বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। ইয়াৰ বিস্তৃত নদী নেটৱৰ্কৰ সৈতে সমগ্ৰ অঞ্চলটো দীৰ্ঘম্যাদী পৰিবহণ, বাণিজ্য আৰু পৰ্যটনৰ এক প্ৰধান কেন্দ্ৰ হিচাপে উদ্ভাসিত হ'ব পাৰে। ৫০০ কোটি টকাৰো অধিক বিনিয়োগেৰে ৮৫টা জেটিৰ বিকাশে সমগ্ৰ অঞ্চলটোৰ সংযোগ শক্তিশালী কৰিব, আঞ্চলিক ল'জিষ্টিকছ বৃদ্ধি কৰিব আৰু নদীকেন্দ্ৰিক সম্প্ৰদায়ৰ বাবে নতুন জীৱিকাৰ সুযোগ সৃষ্টি কৰিব। অন্তৰ্দেশীয় জলপথসমূহে উত্তৰ-পূবক ৰাষ্ট্ৰীয় বজাৰৰ ওচৰলৈ আনিব আৰু সমৃদ্ধি আৰু আঞ্চলিক সংযোজনৰ দুৱাৰ হিচাপে ইয়াৰ ভূমিকা মুকলি কৰিব। বৈঠকত বিগত দশকত জল পৰিবহণ খণ্ডটোৰ দ্ৰুত সম্প্ৰসাৰণৰ পৰ্যালোচনা কৰা হয়। ৰাষ্ট্ৰীয় জলপথত মালবাহী পৰিবহণ ২০১৩-১৪ চনত ১৮ মিলিয়ন টনৰ পৰা ২০২৪-২৫ চনত ১৪৫.৮৪ মিলিয়ন টনলৈ বৃদ্ধি পাইছে। আনহাতে, কাৰ্যকৰী ৰাষ্ট্ৰীয় জলপথৰ সংখ্যা ৩১ পৰা ৩২লৈ- মুঠ দহগুণ বৃদ্ধিপাইছে। বিলাসী নদী ক্ৰুজ জাহাজৰ সংখ্যা ৫১পৰা ২৫লৈ বৃদ্ধিপাইছে, যিয়ে উদ্যোগ, বিনিয়োগকাৰী আৰু ৰাজ্য চৰকাৰসমূহৰ ক্ৰমবৰ্ধমান আস্থাক প্ৰতিফলিত কৰিছে। কাৰ্যকৰী টাৰ্মিনেলৰ সংখ্যা ১৫ৰ পৰা ২৫লৈ আৰু ফ্ল'টিং জেটি ৩০ৰ পৰা ১০০লৈ বৃদ্ধি পাইছে। ৰাজ্যসমূহে উত্থাপন কৰা গুৰুত্বপূৰ্ণ বিষয় আৰু উদ্বেগসমূহ বিস্তৃতভাৱে পৰ্যালোচনা কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰ তথা ৰাজ্য চৰকাৰৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে কাৰ্যকৰী কৰাত গুৰুত্ব দিয়া হৈছে। বৈঠকত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ সচিব বিজয় কুমাৰ, ভাৰতীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ অধ্যক্ষ সুনীল পালিওৱাল, উপাধ্যক্ষ সুনীল কুমাৰ সিং আদি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া, উদ্যোগ খণ্ডৰ প্ৰতিনিধি আৰু বিশেষসকল উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Lok Bhavan celebrates the Statehood Day of Manipur, Meghalaya and Tripura




Guwahati,RB News: Lok Bhavan, Assam, joined the rest of the country in celebrating the Statehood Day of Manipur, Meghalaya and Tripura at a programme held at GMCH Auditorium. The event was graced by Minister for Environment and Forests, Shri Chandra Mohan Patowary as a chief guest. Conveying his greetings to the people on the occasion, Shri Patowary said that the celebration, held under the spirit of Ek Bharat Shreshtha Bharat, seeks to strengthen the bonds of national integration and foster greater appreciation of India's cultural diversity. He noted that Manipur, Meghalaya and Tripura are States rich in history, culture and traditions, each contributing uniquely to the nation's cultural and social fabric. They are also playing their important role in the development of the nation. The Minister highlighted the deep and enduring ties shared by Assam with these sister States, rooted in common geography, shared cultural expressions and historical linkages. He observed that the North-Eastern region stands as a true example of unity in diversity, with its people upholding values of harmony, resilience and mutual respect.

## Adam Milne ruled out of T20 World Cup 2026



RB News: Adam Milne has been ruled out of the 2026 T20 World Cup after suffering a hamstring injury during the SA20 tournament. Milne sustained the injury in his very first over while playing for Sunrisers Eastern Cape last Sunday, and scans have confirmed the severity of the tear. In Milne's absence, New Zealand have named Kyle Jamieson as his replacement in the World Cup squad. The 31-year-old was initially selected as the travelling reserve for the tournament.

## Lakshya Sen enters quarterfinals of Indonesia Masters



RB News: India shuttler Lakshya Sen entered the quarterfinals of Indonesia Masters badminton tournament after securing straight-game win in the round-of-16 match on Thursday. Lakshya, a 2021 world championships bronze medallist, defeated Hong Kong China's Jason Gunawan 21-10, 21-11 in a match that lasted a little over half an hour. Sen will now face Thailand's Panitchaphon Teeraratsakul.

## Saina Nehwal confirms retirement from badminton



RB News: India's ace shuttle and former World No.1 Saina Nehwal has confirmed her retirement from badminton.The 2012 London Olympic bronze medallist last played a competitive match at the Singapore Open in 2023 but did not formally announce her retirement at the time. "I had stopped playing two years back. I actually felt that I entered the sport on my own terms and left on my own terms, so there was no need to announce it," Saina said on a podcast. "If you are not capable of playing anymore, that's it. It's fine." The former world No. 1 said the decision was forced by a severe degeneration of her knee, which made sustained high-intensity training impossible.I didn't think it was such a big matter to announce my retirement. I just felt my time was up because I couldn't push much, that my knee is not able to push like before," she said.

## India beat New Zealand by 7 Wickets in 2nd T20I



RB News: India beat New Zealand by seven wickets in the second T20I on Friday to take a 2-0 lead in the five-match series. Chasing 208, India recovered from an early setback to finish at 209 for 3 in 15.2 overs. Captain Suryakumar Yadav anchored the chase with an unbeaten 82 off 37 balls, while Ishan Kishan provided momentum with 76 off 32 deliveries. Shivam Dube added 36 off 18 balls as India completed the chase with 28 balls to spare.

## Sarfaraz hits double ton in Ranji Trophy



RB News: Mumbai batterSarfaraz Khan cracked a brilliant double century 227 off 219 balls and Suved Parkar a fluent 75 off 98 balls to help Mumbai post an imposing 560 against Hyderabad on the second day of the four-day Ranji Trophy Elite Group D match at the Rajiv Gandhi Stadium here on Friday. Sarfaraz Khan registering his fifth double century in first-class cricket. Sarfaraz's innings comprised 19 fours and nine sixes. Notably, Sarfaraz has amassed 5,090 runs in 61 first-class games.

## PV Sindhu becomes first Indian shuttler to reach 500 career wins



RB News: Indian shuttler PV Sindhu created badminton history on Thursday by becoming the first Indian shuttler to achieve 500 career wins in women's singles. The two-time Olympic medallist accomplished this milestone during the Indonesia Masters Super 500 tournament in Jakarta, defeating Denmark's Line Hojmark Kjaersfeldt in the round of 16. PV Sindhu delivered a composed performance, winning 21-19, 21-18 in straight games. Overall, she is the sixth women's singles player to reach the 500-win mark.

# অস্তিত্ব ৰক্ষাৰ জিঘাংসাঃ এক সংঘাত

যেন এই খবৰটোৱে ঘৰখনলৈ কিছু পৰিমাণে হ'লেও আশাৰ ৰেঙনী আনিছিল ।

(৩)

আজি তাইৰ মনটো বৰ অস্থিৰ হৈ আছে। তাই বুজা হোৱাৰে পৰা ককায়েকৰ কথাবোৰে কেতিয়াবা তাইক বৰকৈ আমনি কৰে। বহ্নিশিখাই নাভাবে যে ভাৰতৰ দৰে এখন বিশাল ৰাষ্ট্ৰৰ লগত সামৰিকভাৱে যুঁজি ককায়েকহঁতে অসমক স্বাধীন কৰিব পাৰিব। আবেগত লোৱা সিদ্ধান্ত আছিল সেয়া। অৱশ্যে তাই ককায়েককো দোষ নিদিয়ে। শিক্ষা সমাপ্ত কৰি সি যেতিয়া চাকৰি বিচাৰি চৰকাৰী-বেচৰকাৰী কাৰ্যালয়ৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰিছিল, তেতিয়া তাৰ কাৰ্যালয়সমূহৰ ফোঁপোলা স্বৰূপটো দেখি যথেষ্ট খং উঠিছিল। বিশ্ববিদ্যালয়ত তাতকৈ বহু গুণেই নিম্ন স্তৰৰ লগৰ ল'ৰাই যেতিয়া দেউতাকহঁতৰ টকাৰ বলত তাক পিছ পেলাই চাকৰি পাবলৈ সক্ষম হৈছিল তেতিয়া তাৰ যথেষ্ট খং উঠিছিল । সেইবোৰ দেখি শুনি সি পিছলৈ চৰকাৰী চাকৰিৰ আশাই বাদ দিছিল । ব্যৱসায়ত হাত দিছিল যদিও তাতো বিফল হয়। অসমৰ বজাৰবোৰত এতিয়া মাথোঁ মাৰোৱাৰীবোৰৰেই আধিপত্য, ইয়াত খিলঞ্জীয়াৰ কোনো স্থান নাই। খং উঠিছিল তাৰ, যথেষ্ট খং উঠিছিল । অসমৰ দৰে প্ৰাকৃতিক সম্পদত চহকী দেশ এখনৰ পৰা খাৰুৱা তেল, কয়লা, চাহ চুণশিল আদি সম্পদবোৰ ভাৰত চৰকাৰে চুচি-বাচি নিয়াতহে গুৰুত্ব দিয়ে। অসমতো উদ্যোগ স্থাপন কৰি দেশৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক সংস্থাপন দিয়াৰ লগতে জাতীয় আয়ো যে বঢ়াব পাৰি, তাৰ প্ৰতি গুৰুত্ব নিদিয়ে। শাসকীয় পক্ষৰ এই কাৰ্য্যৱলীবোৰৰ প্ৰতি অতিষ্ঠ হৈয়ে এদিন দিগ্বিজয়ে অসমক ভাৰতৰ পৰা পৃথক এখন সাৰ্বভৌম ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ সংকল্প লৈ সংযুক্ত মুক্তি বাহিনী, অসমৰ সদস্য হৈছিলগৈ। পণ লৈছিল নিজৰ জন্মস্বত্ব স্বতন্ত্ৰ স্বাধিকাৰ বিচাৰি বুকুৰ শোণিতেৰে মাতৃভূমিৰ চৰণ ৰাঙলী কৰিবলৈ ।

পুৰণি কথাবোৰ পৰ্যালোচনা কৰি থাকোঁতে কেতিয়ানো বেলি দুবিল, তাই ধৰিবকে নোৱাৰিলে। আচলতে ককায়েকৰ কথাবোৰে তাইৰ মনটোক কেতিয়াবা বৰ বিদ্ৰোহী কৰি তোলে। সেয়ে মনৰ মাজত থকা, কাৰো আগত প্ৰকাশ কৰিব নোৱাৰা কথাবোৰ তাই কলমৰ মাধ্যমেৰে প্ৰকাশ কৰে। তাই বিশ্বাস কৰে যে "কলমেই বিশ্বৰ শ্ৰেষ্ঠ অস্ত্ৰ" । তাইৰ কলমেৰে নিগৰা প্ৰতিটো জুৰি এদিন এখনি মহাসাগৰলৈ ৰূপান্তৰ হ'ব, তাৰেই প্ৰবল উৰ্মিমালা হৈ তাই মাটিত দাগ সনা স্লেছক উটুৱাই নিব । পাৰিব তাই সেয়া কৰিব, তাই পাৰিবই লাগিব ।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286

# দায়িত্ব

**ৰিমী হাজৰিকা, মাজুলী**



ঘৰ খনৰ একমাত্ৰ ছোৱালী হিচাপে ভাস্বতীয়ে নিজৰ কৰ্তব্য নিষ্ঠাৰে পালন কৰে। নাই কোনো আক্ষেপ, নাই কোনো অভিযোগ। সৰুতেই দেউতাকক হেৰুৱাব লগা হোৱা ভাস্বতীয়ে মাক আৰু ভায়েকৰ যত্ন লোৱাৰ উপৰিও টিউচন কৰা টকাৰে ভায়েকৰ প্ৰয়োজনীয় বস্তু কেইপদ কেনেদৰে যোগাৰ কৰিব পাৰি তাকেই চিন্তা কৰে তাই। বয়সৰ লগে লগে মাক পৰিশ্ৰম কৰিব নোৱাৰা হৈ আহিছে আৰু সেই সময়তে তাইৰ কান্ধত আহি পৰিল দায়িত্বৰ ভাৰ খন।

পঢ়া শুনা লগতে গাঁৱৰ ল'ৰা ছোৱালীক টিউচন কৰি টকা উপাৰ্জন কৰা ভাস্বতীয়ে লগৰ সমনীয়া লগত মিলিব নোখোজে, তাৰ বাবে তাই মানুহৰ পৰা অপমান পাবলগীয়া ও হৈছে। দেউতাক নোহোৱাৰ পৰা অভাৱ কি তাই বাৰু কৈয়ে উপলব্ধি কৰি আহিছে। সেই বাবে তাই নিজকে আন বন্ধু বান্ধৱীৰ পৰা আতঁৰাই ৰাখিছে। টকা উপাৰ্জন কৰি নিজৰ লগতে ঘৰ চলোৱা ছোৱালী জনীয়ে আন ছোৱালীৰ লগত মনোৰঞ্জন কৰিবলৈ যাব যে নোৱাৰে সেই কথা ভাস্বতীয়ে প্ৰতি পলে পলে উপলব্ধি কৰি আহিছে।

ভায়েকৰ পঢ়া শুনাৰ ক্ষেত্ৰত তাই অগ্ৰণী ভূমিকা পালন কৰিছে। কোনো কথাতে তাই ভায়েকৰ অভাৱ অনুভৱ কৰিবলৈ দিয়া নাছিল। প্ৰত্যেক সময়তে তাই ভায়েকৰ পঢ়া শুনাত অধিক গুৰুত্ব আৰোপ কৰিছে। তাইৰ এটাই আশা ভায়েক ডাঙৰ হৈ এজন ভাল মানুহ হ'ব। মাক আৰু তাইৰ দায়িত্ব ল'ব। সেই আশা বুকুত বান্ধিয়ে তাই ঘৰখনৰ দায়িত্ব সামৰিছিল আৰু নিজৰ পঢ়া শুনাতো গুৰুত্ব আৰোপ কৰিছিল। তাৰ সমান্তৰালকৈ তাই সাহিত্যৰ জগতখনতো এখোজ আগুৱাই গৈছিল। বৰ্তমান তাইৰ বহু লেখা কাকত আলোচনীত প্ৰকাশ পাইছে।

তাইৰ ভায়েক এজন উচ্চপদস্থ বিষয়া হ'ল। বিয়া বাৰু কৰাই তেওঁ সংসাৰত ভালদৰে মনোনিৱেশ কৰিছে। চাকৰি আৰু সংসাৰৰ দায়িত্বত তেওঁ বায়েক আৰু মাকৰ দায়িত্ব ল'বলৈ অপাৰগ হ'ল। মাক ঢুকুৱাৰ পাছত ভাস্বতীয়েই তেওঁৰ কৰ্মখিনিও সুকলমে সম্পন্ন কৰিলে।

বৰ্তমান এখন নামজ্বলা বিশ্ববিদ্যালয়ৰ অধ্যাপক ভাস্বতী। তাইৰ জীৱনত মাক আছিল একমাত্ৰ সাৰথি। অমূল্য জীৱনৰ বহু সময় তাই মাক আৰু ভায়েকৰ যত্ন লৈয়ে পাৰ কৰিলে। দায়িত্বৰ ভাৰ গ্ৰহণ কৰি কৰি তাই নিজৰ জীৱনৰ কথা, সংসাৰ গঢ়াৰ কথা ভাবিবলৈ আহৰিয়ে নাপালে।

# আমাৰ মাজত কিতাপৰ আদৰ আছে নে?




কিতাপ মানুহৰ নীৰৱ বন্ধু। ই কোনো শব্দ নকৰে, তথাপিও জীৱনৰ গভীৰ সত্যবোৰ কাণে কাণে ক'ব পাৰে। ই পথ দেখুৱায়, চিন্তা জাগ্ৰত কৰে আৰু মানুহক মানুহ হ'বলৈ সহায় কৰে। তথাপিও আজিৰ ব্যস্ত জীৱনত এটা প্ৰশ্ন বাৰে বাৰে মনলৈ আহে-আমাৰ মাজত কিতাপৰ আদৰ সঁচাকৈয়ে আছে নে?

এটা সময় আছিল, যেতিয়া কিতাপ ঘৰৰ আছিল। আলমাৰীৰ একোণত সজাই থোৱা কিতাপবোৰে ঘৰৰ বুদ্ধি-বৃত্তিক পৰিচয় বহন কৰিছিল। সন্ধিয়া সময়ত পাতিত বহি কিতাপ পঢ়াটো আছিল দৈনন্দিন অভ্যাস। কিন্তু সময় সলনি হৈছে। মোবাইল ফোন, সামাজিক মাধ্যম আৰু দ্ৰুত বিনোদনৰ মাজত কিতাপ আজি যেন অলপ পিছ পৰি ৰ'ল।

আজিকালি বহুতে কিতাপ পঢ়াৰ প্ৰয়োজন অনুভৱ নকৰে। দুটা শীৰ্ষক, কেইটামান সংক্ষিপ্ত বাক্যই যেন যথেষ্ট বুলি ভাবি লয়। গভীৰ চিন্তা, ধৈৰ্য্য আৰু মনোনিৱেশ যি কিতাপে শিকায়, সেয়া আমি লাহে লাহে হেৰুৱাই পেলাইছোঁ। কিতাপ কিনা হয়, উপহাৰ দিয়া হয়, কিন্তু পঢ়া নহয়-এইটোও এক বাস্তৱ সত্য।

তথাপিও সকলো আশা শেষ হৈ যোৱা নাই। আজিও কিছুমান মানুহ আছে, যিয়ে কিতাপক জীৱনৰ অংগ কৰি লৈছে। গ্ৰন্থমেলা, পুথিভঁৰাল, নতুন লেখকৰ সৃষ্টি-এই সকলোবোৰে দেখুৱায় যে কিতাপৰ প্ৰতি আদৰ একেবাৰে নোহোৱা হৈ যোৱা নাই, মাথোঁ সেয়া অলপ নিস্তেজ হৈ পৰিছে।

প্ৰশ্নটো আচলতে কিতাপৰ নহয়, আমাৰ নিজৰ। আমি কিমান গভীৰ হ'ব বিচাৰোঁ? কিমান জানিব বিচাৰোঁ? যিদিনাই আমি উত্তৰ বিচাৰিবলৈ আৰম্ভ কৰিম, সেইদিনাই কিতাপ আপোনা-আপুনি আমাৰ ওচৰলৈ ঘূৰি আহিব।

কিতাপ পঢ়া মানে কেৱল সময় কটোৱা নহয়, ই নিজকে গঢ়ি তোলাৰ এক সাধনা। সেয়ে যদি আমি এটা চিন্তাশীল, সংবেদনশীল আৰু জ্ঞানসম্পন্ন সমাজ বিচাৰোঁ, তেন্তে কিতাপক পুনৰ সন্মান দিব লাগিব। কিয়নো কিতাপৰ আদৰ মানেই জ্ঞানৰ আদৰ, আৰু জ্ঞানৰ আদৰ মানেই উন্নত ভবিষ্যতৰ পথ।

# মৌনতা



**পৰিস্মৃতা বৰা হাজৰিকা, নিকিনিখোৱা গাওঁ, মাজুলী**

পৰিয়ালৰ একমাত্ৰ ভৰষা ৰমেনৰ আকস্মিক মৃত্যুৰ খবৰটো বনজুইৰ দৰে গোটেই গাৱঁতেই বিয়পি পৰিল। আকাশখন খহি পৰিল ৰাধাৰ মুৰত। উঠন পেটটোৰে তাই এতিয়া কি কৰিব? সকলোৰে মুখে মুখে আলোচনাৰ বিষয় হ'ল তাই। তেনেতে গাৱঁৰ মুখিয়াল গাওঁবুঢ়া দেউতা আগবাঢ়ি আহিল তাইৰ কাষলৈ। তেওঁ দিয়া সান্ত্বনাবাণীৰ অৰ্থ আনে নুবুজিলেও তেওঁ সেই চকু যুৰিৰ অৰ্থ কিন্তু ৰাধাই ভালকৈয়ে বুজিলে ।

# কেনভাছ




নিৰিবিলি ৰাতিৰ উন্মুক্ত আকাশত
দেখা পাওঁ, , অসংখ্য ৰং তোলা, এখন ছবি।
চিকমিক তৰাৰ মাজত মাত্ৰ তোমাৰ যেন এমুঠি কলাজ
বিচাৰি যাওঁ মাথোঁ তোমাৰ,
তুমি দিব খোজা আবতৰীয়া সেই মৰম,
নীৰৱতাৰ বেষ্টত আবদ্ধ নিসংগ মোৰ নিশা বোৰত।
মাথোঁ হাবিয়াস, তোমাৰ কাষতে কিজানি পাওঁ,
অনাবিল আনন্দ আৰু অজস্ৰ সুখ,
দুখৰ শেলাই পৰা মোৰ মলিন ফপৰা হিয়াৰ বাবে।
আপোন পাহৰা হৈ ৰও মই, তুমি তুমি লগা প্ৰতিটো ক্ষণত।
জাৰজ পুৱাত সৰা নিয়ৰৰ কণিকা মুকুতাৰ,
দিনান্তৰৰ এটি সেউজীয়া সপোন,
হৃদয় মণিকূটৰ এপাহ গোলাপ,
যেন, দাপোনৰ এখনি ধুনীয়া ছবিৰ কলাজ,
তুমি তুমি লগা এটি উৰণীয়া মৌ,
মৰহা ফুল যেন কলিজা খনত,
প্ৰাণ পাই তোমাৰ আগমনত।
দিশে দিশে প্ৰতি দিশে যেন তুমি,
সদৌটি আবদ্ধ প্ৰতি নিশাৰ প্ৰতি পলৰ,
এখনি কেনভাছত তৰা ভৰা ৰজনী গগণত।

**অণুগল্প**

# ৰহস্য

**ৰশ্মি ৰেখা দুৱৰা, ডিব্ৰুগড়**

ঠাহ খাই থকা মানুহৰ পৰা একোৰেই দেখা নাপালোঁ। এজনে কোৱা শুনিলোঁ মূৰটো কাটি কোনোবাই পথৰ কাষৰ খালত পেলাই থৈ গৈছে। মটৰ চাইকেলখন ৰখাই এখোজ আগবাঢ়িব লওতেই ঘড়ীটোলৈ চকুত পৰিল, ৯:৩০ বাজিল। বিদ্যালয়লৈ দেৰি হ'ব বুলি ভিৰৰ মাজেৰেই বাট ললোঁ।

ঘৰত আহি টি ভি স্ক্ৰীনত বাজি থকা বাতৰিটো শুনি মই হতভম্ব। সেইদিনা লগ পাই অহা মানুহজন আজি! কিবা কবলৈয়ো নোকোৱাকৈ বৈ গৈছিল, পুনৰ লগ হোৱাৰ কথা দি।